

# ਮਹਾਪੁਰਖੀਆਂ ਰੋਸ਼ਨ

# মহাপুৰুষীয়া ধৰ্ম্ম

PLEASE DON'T
DAMAGE OR TEAR
PICTURE.

শ্ৰীনীলমণি ফুকন,

যোৰহাট, অসম।

বেচ — ।৵০ অনা।

প্ৰকাশক—

ৰায় চাহেব জিতেন্দ্ৰকুমাৰ দাস,

যোৰহাট।

প্ৰথম প্ৰকাশ

ভাদ, ৫০৩ শকবাব্দ।

প্ৰিণ্টাৰ—ৰায় চাহেব জিতেন্দ্ৰকুমাৰ দাস

আসাম প্ৰিণ্টিং ওৱৰ্কচ, কালী বিল্ডিংচ, যোৰহাট, আসাম।

## লিখকৰ দু-আষাৰ

আজি প্ৰায় ৯ বছৰৰ আগৰ কথা। নগাওঁৰ হাটবৰত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্মোৎসৱত সভাপতিৰ আসনৰ পৰা লিখকে গুৰুজনৰ চৰণত দু-আষাৰ নিবেদন কৰিছিল। তাকে "মহাপুৰুষীয়া ধৰ্ম্ম" নাম দি প্ৰকাশ কৰা হ'ল।

"মহাপুৰুষীয়া ধৰ্ম্ম" নাম দিয়া হল এই বাবে যে, লিখকে নিজ জীৱনত মহাপুৰুষীয়া ধৰ্ম্মৰ মৰ্ম্ম যি দৰে অনুভৱ ক'ৰি আহিছে, মহাপুৰুষীয়া ধৰ্ম্মৰ আধ্যাত্মিক, সাংস্কৃতিক, সামাজিক, আচৰণীয় কাম বিলাক যি দৰে বুজিছে, তাকেই এই অভিভাষণত যথাসাধ্য প্ৰকাশ কৰা হৈছিল। এই কথাৰ পৰা সুধী সমাজে যেন ধৰি নলয় যে, মহাপুৰুষীয়া ধৰ্ম্ম বিষয়ে সমালোচনা ক্ষেত্ৰত লিখকৰ কোনো প্ৰকাৰ অধিকাৰ আছে।

এই ক্ষুদ্ৰ পুস্তিকাত লিখকে এটা কথা দেখুৱাবলৈ চেষ্টা কৰিছে যে, মহাপুৰুষীয়া ধৰ্ম্ম আচৰণৰ বস্তু। ইয়াৰ লগত সমাজ, সংস্কৃতি, সদাচাৰ, নীতি-নিয়মৰ এটি মনোহৰ সম্বন্ধ আছে। এই সম্বন্ধই মানুহক আতৈ বা আত্মীয় কৰে, জাঁতবাই নিনিয়ে; আৰু আন কোনো ধৰ্ম্মমতৰ লগত মহাপুৰুষীয়া ধৰ্ম্মৰ বিৰোধ নাই।

আজি পাঁচ-শ বছৰৰ পাছতো মহাপুৰুষীয়া ধৰ্ম্মৰ মৰ্ম্মবাণী এই যুগৰ গান্ধীবাদৰ মাজেদি অনুভৱ কৰিব পৰা গ'ল। মহাপুৰুষীয়া ধৰ্ম্মৰ "হাতে কৃত কাম, মুখে ৰাম নাম"ৰ লগত এই যুগৰ কৰ্ম্ম-যোগী মহাত্মা গান্ধীৰ "সূত্ৰযজ্ঞ" আৰু "ৰঘুপতি ৰাঘৱ ৰাজা ৰাম"ৰ ধ্বনি মিলি গৈছে। হৰিজন-উদ্ধাৰক গান্ধীবাদৰ লগত "পতিতক নাতাৰিলে নাম কি কাৰণ" বোলা মহাপুৰুষীয়া ধৰ্ম্মৰ সাদৃশ্য। মহাত্মাৰ নিৰুপদ্ৰৱ

অসহযোগৰ লগত "দ্বেষ কৰিবাক নাহিকে আমাৰ" "নিন্দিবাকো নাহি, বন্দিবাকো নাহি," বোলা মহাপুৰুষীয়া ধৰ্ম্মৰ কি সূক্ষ্ম সম্বন্ধ! ভক্তিত সিদ্ধা কৰ্ম্ম-লব্ধ মহাপুৰুষীয়া ধৰ্ম্মৰ লগত সেৱাৰ মাজেদি "চাকাই কামত" পোৱা গান্ধীবাদৰ কি অপূৰ্ব্ব মিলন! মুঠতে, "মহাপুৰুষীয়া ধৰ্ম্ম"ত লিখকে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰে ধৰ্ম্ম মহাবস্তু কি দৰে জগতক যাচি দি থৈ গ'ল, তাৰে নাম মাত্ৰ আভাস দিব পাৰিছে যদিও, নিজক কৃতাৰ্থ মানিব।

হাতে লিখা এই অভিভাষণখনি যোৰহাটৰ খ্যাতনামা ব্যৱসায়ী আৰু পুথি প্ৰকাশক শ্ৰদ্ধাভাজন শ্ৰীজিতেন্দ্ৰকুমাৰ দাস ডাঙৰীয়াই যোৱা বছৰ লিখকৰ হাতৰ পৰা পঢ়িবলৈ নিয়ে। পঢ়াৰ পাছত, তেখেতে আনন্দ মনে প্ৰকাশ কৰিবলৈ গাত লয়। হঠাতে এই সুযোগ আহিল নিশ্চয় সেই গুৰুজনৰ কৃপাতেই। দাস ডাঙৰীয়াই শ্ৰদ্ধাৰে এই কাম হাতত লো'ৱা বাবে লিখক তেওঁৰ ওচৰত চিৰ কৃতজ্ঞ আৰু ঋণী হৈ ৰল।

এতিয়া "মহাপুৰুষীয়া ধৰ্ম্ম" অতি শ্ৰদ্ধাৰে লিখকে সুধী সমাজৰ আগত থগাখনিত আগবঢ়াই দিলে। তাৰ দুফাঁকি কথায়ো যদি পঢ়ুৱৈসকলৰ কাণত জুৰ লগাব পাৰে, লিখকে ধন্য মানিব।

যোৰহাট, } — লিখক।
৫০৩ শঙ্কৰাব্দ }

CURZON HALL LIBRARY
1953
...ATI, ASSAM

# মহাপুৰুষ [illegible]

জয় গুৰু শঙ্কৰ সৰ্ব্বগুণাকৰ
যাকেৰি নাহি উপাম,
তোহাৰি চৰণে ৰেণু শত কোটি
বাৰেক কৰোহোঁ প্ৰণাম।

## বৰদোৱা থানৰ দুৱাৰ-দলিত

আজি প্ৰায় পাঁচ-শ বছৰৰ স্মৃতিৰ গুমৰণিৰ মাজত, নামৰ ধ্বনিৰে মুখৰিত হৈ থকা প্ৰাকৃতিক গহন বাৰ সোঁ-সোঁৱনিত, ব্ৰহ্মপুত্ৰৰ বুকুৰ ৰঠাৰ চাপে চাপে উঠা ৰাম নামৰ ঢৌত পৰি, ভটিয়াই যোৱা নাৱৰ নাৱৰীয়াৰ মাৰ যোৱা বিঙত, হালোৱাই হাল বাই যাওঁতেও সিঁচি থৈ যোৱা ৰাম নামৰ কঠীয়া তলিত, মৰণা মোকাৰোতেও সৰিপৰা হৰিনামৰ গুটি ভৰালৰ মুধত হনুমন্তই বুকু ফালি দেখুৱা ৰাম নামৰ দৰে, কীৰ্ত্তন ঘৰৰ চটি ফালি ওলোৱা ৰাম নামৰ উদ্দীপনাৰ, স্ফটিক-স্তম্ভৰ পৰা ওলোৱাৰ দৰে, নাৰায়ণৰ সৰ্ব্ব অৱতাৰ বিদীৰ্ণ কৰি দেখুৱা নাম ঘৰৰ খুটাত, সকলো শাস্ত্ৰ-বেদ-পুৰাণ বগাই গৈ সৰ্ব্বোচ্চ খলপাত উঠি ৰাম নাম কীৰ্ত্তন কৰি থকা, ভক্তই ভাগৱত ঘোষণা কৰা, সাত খলপীয়া সিংহাসনৰ নিদৰ্শনত শত শত নাম ঘৰৰ ভক্তি সংমাৰ্জ্জিত ধূলিকণাৰ আলিঙ্গনত, নামে সকলো পাপ তাপ দহি থকাৰ চিন স্বৰূপ সদায় জ্বলি থকা বন্তি গছৰ পোহৰত,—এই মুহূৰ্ত্তত, কুণ্ঠাহীন যিখন বৈকুণ্ঠ প্ৰকাশ হৈছে, সি অবৰ্ণনীয়। এনেখন বৈকুণ্ঠৰ পৰা অথিৰ-মন কৰিছে, যদি খহি নাহিলহেঁতেন, তেন্তে বোধহয় মুক্তিৰ একো একোটি পথ বিচাৰি হাবাথুৰি খাই ফুৰিব নালাগিলহেঁতেন।

## হাটবৰত "ভাব-নামৰ হাট"

মহাপুৰুষে এদিন যিথন হৰিনাম-হাট বিস্তৃত অসম ভূমি জুৰি পাতিছিল "হাটবৰত" তাৰ পুনৰ আয়োজন হোৱাটো শুভ লক্ষণ। বৰদোৱা সত্ৰত গুৰুজনৰ গুৰু গম্ভীৰ নাম প্ৰসঙ্গৰ ধ্বনিত এদিন আকাশী গঙ্গা নামি আহিছিল, থানৰ চৌপাশে আজিও প্ৰদক্ষিণ কৰি আছে। এই বৰদোৱা সত্ৰৰ হাতী স্বৰূপ নগাঁৱৰ সত্ৰবিলাক নিৰ্ম্মল আৰু শান্ত হাতীপটিৰ দৰে থুপ খাই শিলিকি আছে। পুৱা গধূলি ভোৰ তালৰ ধ্বনিৰে হৰিনামত বধিৰ কাণৰ কণামাকৰি সকৰাই দিছে।

এই ঠাইতে এদিন "গল দিও নাম নেৰো" হৰি জোৱৰাইৰ দৃষ্টান্তই "শিৰ দিম ধৰ্ম্ম বিশ্বাস নেৰো" বোলা তেজস্বী শিখ জাতিৰ এঠাল ধৰ্ম্ম বিশ্বাসত এই দৰে সাৰুৱা হৈ থকা ক্ষেত্ৰত বাঢ়বলৈ দি, অসমীয়া জাতিৰ আজি সৌষ্ঠৱ বঢ়োৱা নাইনে? "গ্ৰন্থ চাহেব" আৰু কীৰ্ত্তনত নাম-ধৰ্ম্মৰ সেই একে অভেদাত্মাৰ সুৰেই বাজি উঠিছে। উভয় গ্ৰন্থৰ ওচৰত উভয়ৰে মূৰ স্বৰ্গৰতে দোঁ খাই আছে। মহাত্মা আজান ফকিৰৰ "জিকিৰৰ" সুৰ আৰু কীৰ্ত্তনৰ পদ-পদাৰ অভিন্ন-হৃদয় বস্তু। এই কাৰণেই অসমীয়া মুছলমানে প্ৰবল প্ৰতাপী মোগল সেনাৰ সম্মুখীন হৈ, দেশৰ স্বাধীনতা অপহৰণকাৰী শত্ৰু হিচাবে, ৰণ দিব পাৰিছিল। হৰি জোৱৰাইৰ এই দৃষ্টান্তৰ নেদেখা আধ্যাত্মিক শক্তিয়েই সিদিনা বন্দুকৰ গুলিলৈ ভ্ৰুক্ষেপ নকৰা জননীৰ মুক্তি-পতাকাৰ তলত বুঢ়া-বুঢ়ী, ডেকা-গাভৰুৰে নিজৰ বুকুৰ তেজেৰে ৰক্তগঙ্গা বোৱাই দিবলৈ অনুপ্ৰাণিত কৰা নাছিল নে? কুশল কোঁৱৰেও "পাৰ কৰা ৰঘুনাথ সংসাৰ সাগৰে" বুলি আমাৰ চকুৰ আগতে নিৰ্ব্বিকাৰ চিত্তে ফাঁচি কাঠত ৰাম নামত জীৱন লয় কৰি দিয়া নাছিলনে? বৰদোৱা থানৰ আকাশী গঙ্গা আৰু এই ৰক্তগঙ্গা প্ৰবাহত ধৰ্ম্ম-কৰ্ম্মৰ ত্ৰিবেণীসঙ্গম হোৱা নাইনে?

## "লোহিতৰ অনুকূলে" যোৱা ধৰ্ম্ম

চৰিত্ৰত আছে "তেম্বৰনি মধ্যে অতি অনুপাম। লোহিতৰ অনুকূলে বৰদোৱা গ্ৰাম॥" ইয়াত "অনুকূল" শব্দৰ অৰ্থ পাৰ বা অনুকূল যি কি নহওক, এই কথা ঠিক বৰদোৱা গ্ৰামত মহাপুৰুষ শঙ্কৰ গুৰুৱে "ব্ৰহ্মাণ্ডকো ভেদ" কৰিনামৰ যি ৰস বোৱাই দিলে, সেয়ে "লোহিতৰ" দুই পাৰ ওপচাই নামৰ পলস পেলাই থৈ গল। তাতে মহাপুৰুষীয়া ধৰ্ম্মৰ বীজ লহপহকৈ গজি উঠিল। শিৰোমণি ভূঞাৰ ঘৰৰ বৈষ্ণৱ শিৰোমণি মহাপুৰুষ শঙ্কৰদেৱে জাতি অজাতি মহাপাতকীবো মুক্তা আৰু তৰাব পৰা নাম ধৰ্ম্ম পৰৱৰ্ত্তন কৰি আৰ্য্য অনাৰ্য্য, জাতি উপজাতিৰ, অপূৰ্ব্ব সংমিশ্ৰন আৰু সমাবেশ ভূমি সুইতৰ পানীয়ে সদায় ধুই পখালি নিকা কৰি থোৱা অসম দেশত "লোহিতৰ অনুকূলে" বা সপক্ষে যোৱা ধৰ্ম্ম বস্তুকেই দিব পাৰিছিল। এই কাৰণেই ব্ৰাহ্মণ কায়স্থ, শূদ্ৰ, গাৰো, ভোট, মিৰি, যৱন সকলো শ্ৰেণীৰ লোক এই মহাপুৰুষীয়া ধৰ্ম্মত দীক্ষিত হৈ মহাপুৰুষৰ জীৱদ্দশাতেই আতৈৰ সাৰিলৈ গৈছিল।

## নাম-ধৰ্ম্ম আচৰণৰ বস্তু

মহাত্মা গান্ধীয়ে ১২৫ বছৰ জীয়াই থাকিবলৈ ইচ্ছা কৰিছিল, তাৰ কাৰণ হৈছে তেওঁৰ তিনিকুৰি বছৰৰ সাধনাৰ ফল—সত্য, অহিংস, প্ৰেম—জনসাধাৰণৰ আচৰণত প্ৰৱৰ্ত্তাবলৈ নিশ্বাস-প্ৰশ্বাসৰ দৰে সহজ কৰি তুলিবলৈ আৰু তিনিকুৰি বছৰ তেওঁ জগদ্ধ দৃষ্টান্ত স্বৰূপে আগত থাকিব লাগিব। মহাপুৰুষ শঙ্কৰ গুৰুৱে তেওঁৰ নাম-ধৰ্ম্ম সমাজৰ আচৰণৰ মাজেদি প্ৰৱৰ্ত্তাবলৈ ইচ্ছা কৰিছিল। ঈশ্বৰানুগ্ৰহত মহাপুৰুষে সুদীৰ্ঘ ছ-কুৰি বছৰ পালে। তেওঁৰ গুণস্তৱ, আজানু-

লম্বিত বাহু দেহত ধৰ্ম্ম-কৰ্ম্ম দুয়োটি বস্তুৱেই সমানে ঠাই পাইছিল। এই সুদীৰ্ঘ কাল তেওঁৰ ওচৰত মাধৱ দেৱ, দামোদৰ দেৱ প্ৰমুখ্যে গুৰুসকলে "নাম-বস্তু" গ্ৰহণ কৰি পৰৱৰ্ত্তীসকলক যথাযথ ভাৱে দুশ মান বছৰলৈকে বিলাই দিবলৈ ডাঙৰ সুযোগ পালে। মহাপুৰুষৰ আহিতেই চলি থকা হেতেন. আজি পাঁচ-শ বছৰে মহাপুৰুষীয়া সত্ৰ বিলাকৰ মাজেদি অসমত এটা বিৰাট অসমীয়া জাতি সৃষ্টি হৈ ধৰ্ম্ম আৰু কৰ্ম্মক্ষেত্ৰত আগ আসন পাব পাৰিলেহেতেন। সত্ৰবিলাকৰ প্ৰভাৱ কমি যোৱাৰ ঘাইকৈ দুটা কাৰণ হল—ধৰ্ম্মৰ গাদীত বহা যিটো প্ৰথা গুৰুজনে দেখুৱালে পৰৱৰ্ত্তী সকলে তাৰপৰা অনেক দূৰ আঁতৰি গল। ধৰ্ম্মৰ আধ্যাত্মিক প্ৰভাৱেৰে প্ৰভাৱান্বিত যোগ্য জনৰ নিৰ্ব্বাচনৰ ঠাইত ধৰ্ম্মাধিকাৰ জন্মতকৈ ধৰ্ম্মৰ গাদীপনহে ঘাই বস্তু, এনেভাৱ আৰোপ কৰি ধৰ্ম্মত অধিকাৰ নথকা একোজন গাদীখনৰ অধিকাৰী হব পৰা হল। উদাসীন সত্ৰ বিলাকত অধিকাৰ সকল ভকতৰ হাতত প্ৰায় পুতলা নচাত পৰিল। গতিকে যি দুই চাৰি সত্ৰত যোগ্যজনে সেই আসন গ্ৰহণ কৰে, তেওঁলোকে সেই প্ৰস্তাৱ বিস্তাৰ কৰিবলৈ ক্ষেত্ৰ নাপায়। গৃহী সত্ৰ বিলাকত আৰু বিপৰ্য্যয় ঘটিবলৈ ধৰিলে। একোটা পৰিয়ালৰ ককাই-ভায়ে পৈতৃক সম্পত্তি ভাগ কৰোঁতে যিদৰে এজনে ঢেঁকীটো, আনজনে কঁতৰাটো লৈ, ঢেঁকী কঁতৰা দুয়োটাকে শেহত জুহত থৰি পুৰিব লগা অৱস্থালৈ নিয়ে, সেইদৰে আমাৰ গৃহস্থ মহন্ত সকলেও সত্ৰবিলাক ভাগ ভাগ কৰি নিজেও দুৰ্ব্বল হৈছে আৰু শিষ্য বিলাককো একেখন গৰঁতে নামঘৰ কালি দুই তিনি খেল হবলৈ বাট দেখুৱাইছে।

মহাপুৰুষৰ প্ৰতিভাই সত্ৰবিলাক নাম-ধৰ্ম্মৰ কেন্দ্ৰ কৰি তাৰ মাজেদি যি এখন নিকা সমাজ গঢ়ি তুলিবলৈ তাৰ প্ৰধান সজুলি—, সাহিত্য,

কলা, গীত, নাট, চৰ্চ্চা কৰি ভাওনা, নাম-প্ৰসঙ্গ, তিথি-মহোৎসৱ পাতি, ব্ৰাহ্মণৰ পৰা চণ্ডালৈকে সমাজত শুচি কৰিবলৈ অসমীয়া জাতিৰ এটা অভাৱনীয় মঙ্গল সাধন কৰিছিল। আজি পাঁচ-শ বছৰৰ পাচত সম্পূৰ্ণ গণতন্ত্ৰ বা নৰনাৰায়ণৰ যুগত তেনে সম বিচৰ আৰু যোগ্যতাৰ ভেটিত যদি সত্ৰবিলাক পুনৰ্গঠিত কৰি তুলিব নোৱাৰে, তেনেহলে সত্ৰবিলাকৰ পতন অৱশ্যম্ভাবী।

## ভকতই ভাগৱত

বেদ-বেদাঙ্গ, উপনিষদ, পুৰাণ ভাগৱত সকলো শাস্ত্ৰতে শ্ৰীশঙ্কৰদেৱৰ অগাধ পাণ্ডিত্য আছিল যদিও যাগ যজ্ঞ জপ সকলোকে হৰিনামে "গ্ৰসাঙ্গ" কৰে, এই অনুভূতিয়েই তেওঁৰ জীৱনত নিষ্কাম হৈ পৰিল। "মুখ বোলা ৰাম হৃদয়ে ধৰা ৰূপ" ইয়াকে সাৰোগত কৰি শাস্ত্ৰৰ গূঢ়তত্ত্ব ভাৰ বোৱাৰ পৰা আত্মাক মুক্ত কৰি, "হাতে কৃত কাম, মুখে ৰাম নাম" অৱস্থাত ধৰ্ম্ম-কৰ্ম্মৰ সামঞ্জস্য ৰক্ষা কৰি চলিবলৈ মানুহক শিক্ষা দিলে। এই কাৰণে মহাপুৰুষীয়া ধৰ্ম্মত হাল বাওঁতে, মৰণা মাৰোঁতে, নাও বাওঁতে, খৰি কাটোঁতেও নাম গোৱাৰ ব্যৱস্থা আছে। 'আত্মাৰো' বাসস্থান শৰীৰ যিদৰে, ধৰ্ম্মৰো বাসস্থান "সত্ৰ-গৃহ" স্থাপন কৰি, ধৰ্ম্মাচৰণৰ শৃঙ্খলা লগালে। সকলো শাস্ত্ৰৰ সাৰ ভাগৱত খনকেই তাত থাপনা কৰিলে। এই ভাগৱত-সাক্ষী এক শৰণীয়া নামেই মহাপুৰুষীয়া ধৰ্ম্মৰ থাই ভেটি। "ভকতই ভাগৱত" যেতিয়া, ভকতৰ সৎসঙ্গ বিহিলে। 'ভকতি সাধন সৎসঙ্গ বিনে নাই" কোৱা হল—~~প্ৰত্যেকে~~ প্ৰত্যেকৰ সঙ্গত আত্ম-পৰিচয় পাই আতৈ হৈ উঠিল। দাস্য-ভাৱ প্ৰধান মহাপুৰুষীয়া ধৰ্ম্মৰ একমাত্ৰ ৰতি—নৰনাৰায়ণৰ সেৱা। গুৰুত অচলা ভক্তি, ভকতৰ সঙ্গত প্ৰীতি লাভ, নৰহেই নৰোত্তম

দৰ্শণ অকপট আচৰণ, নিয়মিত শয়ন, ভোজন, পান, স্নান, কৰি দেহৰ ধৰ্ম্মৰক্ষা কৰা, মহাপুৰুষীয়া ধৰ্ম্মৰ নিত্য-নৈমিত্তিক কৰ্ম্ম।

## মহাপুৰুষীয়া ধৰ্ম্মৰ নাম-মাহাত্ম্য কত?

খৃষ্ট ধৰ্ম্মত মহাপ্ৰভু যীশুৰ অৱতাৰ যিদৰে পাপীৰ পৰিত্ৰাণৰ অৰ্থে, মহাপুৰুষীয়া ধৰ্ম্ময়ো কয় "পতিতক নেতাৰিলে নাম কি কাৰণ।" নামে জাতি অন্ত্যজাতি অন্ধ কি মহাপাতকীকো নাৰাছে। এনে লোকক ভকতৰ সঙ্গ ধৰাই দিয়ে, উদ্ধাৰ কৰে। অহোৰাত্ৰ ভকতৰ সঙ্গত, ভকতীয়া আচৰণত, অভ্যস্ত হৈ পূৰ্ব্বৰ কু-প্ৰথা এৰে, কু-কথা পাহৰে— বাহিৰে ভিতৰে নিকা হৈ পৰে। ভিতৰৰ আঁত জনে বাহিৰত দেখা দিয়ে। তেতিয়া সকলোতে আত্মাবুদ্ধি জন্মে, সকলোৰেই বুকুৰ বান্ধৱ হৈ পৰে, জগত খন হৰিময় হয়। এই ভাব যদি খন্তেকলৈকো অন্তৰ, নামে চিঞৰি উঠে "প্ৰাণ হৰি কৈত গৈলা এৰি।" কুৰুক্ষেত্ৰৰ তয়া-ময়া ৰণৰ মাজতো ভগৱান শ্ৰীকৃষ্ণই নিজৰ বিৰাট-ৰূপ দেখুৱাইহে অৰ্জ্জুনৰ গাণ্ডীব আকৌ টনকিয়া কৰাব পাৰিছিল। পৰমাত্মাৰ অনুভূতি নহলে ধৰ্ম্মস্পৃহাও বাঢিব নোৱাৰে। ভাৰতৰ মুক্তি সংগ্ৰামৰ দিনতো ৰত থকা মহাত্মা গান্ধীয়ে নিতৌ হাত চাপৰি মাৰি নাম গোৱা প্ৰথা চলাইছিল। তেওঁ কয় সকলোৱে একেলগে হাত চাপৰি মাৰি নাম গাওঁতে এক ৰকম আধ্যাত্মিক ব্যায়াম কৰা হয়। তাত সমাজৰ আত্ম-শক্তি বাঢ়ে। আমাৰ নাম-প্ৰসঙ্গত শৰীৰৰ অঙ্গ-প্ৰত্যঙ্গ বিলাক যেন নামৰ ধ্বনিত সোমাই নিজক লয় কৰি দিয়ে অনুভৱ হয়। সমস্ত শৰীৰ নামময় হৈ উঠে। দেহ মন আত্মা সকলো পুলকিত হৈ উঠে, নিকা হৈ পৰে, কতো ৰেঙা নাথাকে। মহাপুৰুষীয়া নাম

প্ৰসঙ্গত নামৰ উন্মাদনাইকৈ অনুভৱ বেছি, বৈৰাগ্যতকৈ নিজক বিলাই দিয়া ইচ্ছা প্ৰবল। আনুসঙ্গিক বাদ্য যন্ত্ৰ তাল, খোল, মৃদঙ্গাদিয়েও নামৰেই অপাৰ মহিমা ঘোষণা কৰি সমস্বৰ তোলে।

## মহাপুৰুষীয়া ধৰ্ম্মত গুৰুসেৱা

দাস্যভাৱৰ প্ৰধান মহাপুৰুষীয়া ধৰ্ম্মত গুৰুসেৱা বৰ ডাঙৰ কথা। এই গুৰুসেৱাৰ অৰ্থ বুজিছিল মহাপুৰুষৰ বুকুৰ বান্ধৱ মাধৱে। এই সেৱাৰ মাজেদি শিষ্যও গুৰুসম হৈ উঠিব পৰাটোহে যথাৰ্থ সেৱা। এই সেৱাৰ বাবেই মহাপুৰুষৰ প্ৰিয় শিষ্য মাধৱে অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে মহাপুৰুষীয়া ধৰ্ম্মৰ প্ৰেৰণা বোৱাই দিব পাৰিছিল। সেৱাৰ এই আদৰ্শত পৰৱৰ্ত্তী গুৰু সকল যদি চলি আহিব পাৰিলে-হেতেন, আজি পাঁচ-শ বছৰৰ পাছত শঙ্কৰী যুগৰ এটি সম্পূৰ্ণ নতুন সংস্কৰণ প্ৰকাশ হ'লহেঁতেন। সকলো প্ৰকাৰৰ দাসত্ব-শিকলি পিন্ধা আজিৰ সমাজে মহাপুৰুষীয়া ধৰ্ম্মৰ দাস্যভাৱ—লোহাকো তামা ক'ৰ তুলিব পৰা চুম্বকৰ দৰে, জীৱন পৰিৱৰ্ত্তন কৰিব পৰা আকৰ্ষণী শক্তি অনুভৱ কৰিব নোৱাৰেনে? যাৰ মৃত্যুত মহাত্মা গান্ধীয়ে কব লগা হৈছিল— 'আজি মই মাউৰা, আজি মই বিধবা হলো।" মহাত্মাৰ সেই একনিষ্ঠ সেৱক পুণ্যাত্মা মহাদেৱ দেশাইয়ে এই দাস্য ভাৱৰ প্ৰত্যক্ষ ব্যাখ্যা আমাৰ চকুৰ আগত দি গৈ গল। চৰণ ছুই পদ-ধূলি লবলৈ খাপ লৈ থকা মানুহৰ হাত, ফেঁটি সাপৰ ফোঁটো এৰাই যোৱা দৰে জাপ মাৰি যোৱা, মহাত্মা গান্ধীয়ে আজি ষাঠি বছৰে চল্লিশ কোটি ভাৰতবাসীৰ সকলো প্ৰকাৰ সেৱা কৰি মুক্তিৰ পথ যি দৰে পৰিষ্কাৰ কৰি গল, তাতেই মহাপুৰুষীয়া ধৰ্ম্মৰ দাস্য ভাৱৰ মৰ্ম্ম বুজিব পৰা হব। ভাৰতৰ সৰ্ব্ববিধ আবৰ্জ্জনা স্তেও দূৰ কৰিবলৈ সাজু হৈ নিজক

"ভাজি" বুলি পৰিচয় দিছিল। এই দাসত্ব হাত ভৰি বন্ধা বিধৰ নহয়—ই হাতক কৰকমল, ভৰিক পাদ-পদ্ম কৰি তোলে।

## হাতে কৃত কাম, মুখে ৰাম নাম—মূল মন্ত্ৰ

"দেৱতা তীৰ্থতকৈও নৰ শুদ্ধ" বোলা মহাপুৰুষীয়া ধৰ্ম্ম যে মানুহৰ দৈনিক শুদ্ধ আচৰণৰ মাজে প্ৰকাশ পোৱা বস্তু, এই কথা নকলেও হব। ব্ৰাহ্মণৰ পৰা চণ্ডাললৈকে যাক ধৰ্ম্মই শুচি কৰে তাৰ আচৰণৰ ঠাই কিমান ওখ হব পাৰে এবাৰ দকৈ ভাবি চোৱা উচিত। এই কাৰণেই শয়ন, ভোজন, স্নান, পান, নাম-প্ৰসঙ্গ সকলোখিনি দৈনিক আচৰণ বিধান কৰি থৈছে।

ধৰ্ম্ম বুলিলে কি বুজায়—এই কথা এজনে সোধাত মহাত্মা গান্ধীয়ে কৈছিল, 'তুমি মোৰ জীৱনলৈ লক্ষ্য কৰি চোৱা—মই কেনেকৈ থাকো, খাওঁ, শোওঁ, উঠো, বহো, কথা কওঁ, সাধাৰণৰ লগত কেনে ব্যৱহাৰ কৰো। এই সকলোবিলাকৰ সমষ্টিয়েই মোৰ ধৰ্ম্ম।" এয়ে মহাপুৰুষে কোৱা "হাতে কৃত কাম, মুখে ৰাম নাম"ৰ বিশদ ব্যাখ্যা।

## বৈষ্ণৱ ধৰ্ম্মৰ প্ৰাণ ক'ত?

মহাত্মাৰ মতে "ধৰ্ম্মই ভৱিষ্যতক নিয়ন্ত্ৰণ কৰিব। আজিও ধৰ্ম্মৰ শাসন চলিলহেতেন, কিন্তু নাইচলা এই বাবে যে ধৰ্ম্ম শনি বা দেওবাৰে মনা বস্তু হৈ পৰিছে। জীৱনৰ প্ৰতি মুহূৰ্ত্ততে ধৰ্ম্ম পালন কৰিব লাগিব।" এনে ধৰ্ম্ম প্ৰবৰ্ত্তাবলৈকে জগতত যুগে যুগে মহাপুৰুষসকলৰ আবিৰ্ভাৱ হৈ আহিছে। এই ~~কাৰণেই~~ ইচলামে পূৰ্ব্ববৰ্ত্তী ধৰ্ম্ম প্ৰবৰ্ত্তক সকলক মানি চলে। সকলো ধৰ্ম্মৰ মহাপুৰুষ সকলক মনা হিন্দু ধৰ্ম্মৰো আদেশ। খৃষ্টান ধৰ্ম্মতো বৈষ্ণৱ ধৰ্ম্মৰ

অশেষ বাণী শুনা যায়। মহাপ্ৰভু যীশুক এজন বৈষ্ণৱ প্ৰধান মহাপুৰুষ বুলিব পাৰি। এই সত্যকে অনুভৱ কৰি এই যুগৰ এজন সাধক ঠাকুৰ অনুকুল চন্দ্ৰই কৈছে যে পৰবৰ্ত্তী ধৰ্ম্মপ্ৰবৰ্ত্তক সকল পূৰ্ব্ববৰ্ত্তী সকলৰেই পৰিণতি। "একো বস্তু নাহিকে তোমাত ব্যতিৰেক"—এই অনুভূতিয়েই বৈষ্ণৱ ধৰ্ম্মৰ প্ৰাণ, মহাপুৰুষীয়া ধৰ্ম্মৰ এয়ে মূলতত্ত্ব। মহাত্মাই সত্য, অহিংসা, প্ৰেমৰ মাজেদি দৈনিক আচৰণত যি ধৰ্ম্মৰ অনুশাসন পালন কৰিছিল, জগতে যেতিয়া তাকেই গ্ৰহণ কৰিব পৰা হ'ব, সেয়ে তেওঁ দিব্য-দৃষ্টিয়ে দেখা পৃথিৱীৰ ধৰ্ম্ম হৈ উঠিব। সেই ধৰ্ম্মই পৃথিৱীক, তেওঁ ভৱাৰ দৰে শাসন কৰিব।

## মহাপুৰুষীয় ধৰ্ম্মৰ অহিংস পথ

সকলো বৈষ্ণৱ ধৰ্ম্মৰ দৰে মহাপুৰুষীয়া ধৰ্ম্মযো মানুহক অহিংস পথে যাবলৈ বাট দেখুৱাইছে। মহাত্মাই এইষাৰ কথাও কৈছিল যে, অহিংস উপায় অৱলম্বন কৰোতে এদিন দক্ষিণ আফ্ৰিকাত তুচ্ছ "কুলি" উপাধিৰে ভূষিত এমুঠি ভাৰতবাসীয়ে জেনেৰেল স্মাট্‌ছক জব্দ কৰিব পাৰিছিল। মহাপুৰুষ শঙ্কৰদেৱেও এই অহিংস নীতি নিজৰ ধৰ্ম্ম-বিশ্বাস, কৰ্ম্ম-পদ্ধতিৰ মাজেদি প্ৰবৰ্ত্তাই আহিছিল। ব্ৰাহ্মণ সমাজৰ স্বাৰ্থপৰ দুই চাৰিজনে তেওঁৰ প্ৰবৰ্ত্তিত নাম-ধৰ্ম্মৰ যেতিয়া নিন্দা কৰিছিল, তেওঁৰ ভকতক নানা ভাবে লাঞ্ছিত কৰিছিল, "দ্বেষ্য কৰিবাক নুহিকে আমাৰ" ইয়াকে কৈ তেওঁ ভকতসকলক প্ৰবোধ দিছিল। তাৰ ফলত শেহত শ্ৰেষ্ঠ ব্ৰাহ্মণসকলৰ ভিতৰতেই তেওঁৰ প্ৰধান প্ৰধান শিষ্য ওলাল। তেওঁৰ প্ৰধান ব্ৰাহ্মণ শিষ্য জনেই সত্ৰ স্থান বিলাক "দামোদৰময়" কৰি তুলিলে, গুৰুবাক্য অব্যৰ্থ

হল। মহাপুৰুষ দামোদৰ দেৱে কৃষ্ণ নাম নললে ব্ৰাহ্মণ জনম বৃথাই যাব বুলি ভবা আত্মপ্ৰত্যয় কাৰ ওচৰত পালে? এই অহিংস পথে চলোতেই মহাপুৰুষ শঙ্কৰদেৱে শত্ৰুতাৰ পৰা ৰক্ষা পাবলৈ বৰদোৱাৰ পৰা উঠি গৈ ব্ৰহ্মপুত্ৰ পাৰ হৈ নানা ঠাইত সত্ৰ স্থাপন কৰিব লগা হৈছিল। সেই বিলাক ঠাইতো শত্ৰুৰ হাত সাৰিব পৰা নাছিল। কিন্তু, মহাপুৰুষে স্থানকে ত্যাগ কৰি গৈ আছিল, কাৰো লগত বাদ-বিসম্বাদ শত্ৰুতাচৰণ কৰা নাছিল। কোচবিহাৰ পালেগৈ তাতো ৰজাক নানা ছলে লগালে। কিন্তু অহিংস পথৰ যাত্ৰী মহাপুৰুষক একোৱে ছুব নোৱাৰিলে। তাৰ ফলত সেই নৰনাৰায়ণ ৰজাৰ সভাত পণ্ডিত মণ্ডলাৰ মাজত সূৰ্য্যসম প্ৰকাশ কৰি আছিল। এই বেহাৰতেই তেওঁৰ মহাপ্ৰয়াণ হয়। মহাপুৰুষ অহিংসা পথেদি গৈ একাৰ বাবেহে আজি ঠায় ঠয়ে ইমান বিলাক মহাপুৰুষীয়া সত্ৰৰ ভেটি হৈ গ'ল। এই অহিংস পথত চলা বাবেহে এদিন সেই কছাৰী ৰজায়ে মহাপুৰুষীয়া ধৰ্ম্ম লবলৈ পঠোৱা কটকীয়ে কব লগীয়া হৈছিল, হেড়ম্ব দেশৰ ৰাজা পঠাইছে আমাক। অনেক ভকতি ভাবে নিবাক তোমাক॥" মহাপুৰুষৰ মতে হৰ ভকতত সম দম দয়া, ক্ষমা, অহিংসা, ভূতদায়া এই কেইটি গুণ সম্পূৰ্ণৰূপে থকা উচিত। এইবিলাক গুণৰ অৱতাৰ হৈ নিজৰ ছ-কুৰি বছৰীয়া জীৱন পালন কৰি প্ৰধান প্ৰধান শিষ্য সকলৰ জীৱনতো সেই বিলাক গুণৰ প্ৰভাৱ কম বেছি পেলাই থৈ গল।

যথাৰ্থতে, সকলো ধৰ্ম্ম প্ৰবৰ্ত্তকেই এই অহিংস নীতিকেই ধৰ্ম্মৰ ঘাই বস্তু বুলি গ্ৰহণ কৰি আহিছে। "অহিংসাই পৰম ধৰ্ম্ম" বুলি এদিন ৰাজপুত্ৰ এজনে ৰাজ সিংহাসন ত্যাগ কৰি বুদ্ধত্ব বা আত্ম-চৈতন্য লাভ কৰিলে। তেওঁৰ প্ৰভাৱত "চণ্ডাশোক" "ধৰ্ম্মাশোক" হৈ শোকহীন

অশোক ৰাজ্য স্থাপন কৰি এই ভাৰতভে পুনৰ ৰামৰাজ্য স্থাপন কৰি দেখুৱালে। বনৰ পশু পক্ষীয়েও তেওঁৰ "ভূতদায়া" পাবলৈ ধৰিলে। যীশুখৃষ্টই পিণ্ডত দিয়া সকলক নাজানি দোষ কৰা অপৰাধ ক্ষমা কৰিবলৈ ঈশ্বৰৰ চৰণত প্ৰাৰ্থনা কৰিছিল। হজৰত মহম্মদে শিলগুটি দলিয়াই তেওঁৰ দাঁত সৰোৱা দুৰ্বৃত্ত সকলক ক্ষমা কৰিবলৈ আল্লাহ্ তাল্লাৰ ওচৰত প্ৰাৰ্থনা কৰিছিল। এই মহাপুৰুষ সকলে অহিংস পথেদি জগতত যি শান্তিৰ ধৰ্ম্ম প্ৰবৰ্ত্তাব খুজিছিল, সেয়ে এদিন জগতত ফলিয়াব আৰু তেতিয়াৰ পৰাই "ধৰ্ম্ম মহৰ" ঠাইত "ধৰ্ম্মই" পৃথিৱীক শাসন কৰিব বুলি মহাত্মাই গভীৰ সত্যকে আমাৰ কাণত শুনাইছিল। বধিৰ জগতে সেইকথা এতিয়াও শুনিব পাৰে, কিন্তু নুশুনাৰ বাবেই ব্যোম মহাবৰৰ বিৰ্ত হব নোৱাৰে। এতিয়া ধৰ্ম্মমত, ধৰ্ম্ম পথ লৈ যি কোলাহল, কৰা ধপৰা, উজুটিৱা-উজুটি—সকলো শাম কাটিব। মহাত্মাই "মোৰ ধৰ্ম্মৰ" বিটো সংজ্ঞা দিলে, মহাপুৰুষ শঙ্কৰদেৱৰ জীৱনেও তাকে কৈ যোৱা নাছিল নে? পৰিমিত শয়ন, ভোজন, স্নান, পান, সৎসঙ্গ লাভ, নামত নিৰন্তৰ ৰতি, সাহিত্য-কলাৰ পবিত্ৰ চৰ্চ্চা, সৰলোতে সমদৰ্শী ভাৱ, সৰল জীৱন যাপন— এই বিলাকৰ মাজতেই ছ-কুৰি বছৰ কটাই ধৰ্ম্ম-কৰ্ম্ম প্ৰতিফলিত জীৱন-যাপন কৰি মহাত্মাই আমাক যি আদৰ্শত জীৱন-গঢ় তুলিবলৈ প্ৰেৰণা দিলে, তাকেই দি থৈ যোৱা নাছিল নে? তেন্তে আৰু পাঁচ-শ বছৰলৈকে মহাপুৰুষীয়া ধৰ্ম্ম-কৰ্ম্ম-পদ্ধতিয়ে অসমীয়া জাতিক জগতৰ আদৰ্শ স্থানলৈ নিব নোৱাৰিবনে?

## মহাপুৰুষীয়া ধৰ্ম্মত জন্মগত অস্পৃশ্যতা নাই

আজি মহাত্মাৰ "হৰিজন" আন্দোলনে আমাৰ সমাজত যি সত্য সনাতন ধৰ্ম্মকে প্ৰবৰ্ত্তাব খুজিছে তাত নামত "সনাতনী" হিন্দুসকলে

নানা বিৰোধ কৰি এতিয়া ক্ষান্ত হোৱাৰ দৰে, মহাপুৰুষ শঙ্কৰদেৱেও তেওঁৰ নাম-ধৰ্ম্মত সকলোকে অধিকাৰ দি সদাচাৰী সংসঙ্গৰ যোগ্য আতে কৰি তোলোতে ৰক্ষণশীল দলৰ পৰা অনেক বাধা পাইছিল। কিন্তু সেই বাধা তেওঁৰ "হৰিনাম ৰসে" "পাৰ ভাঙি" দি "অমৃতৰ নৈ" বোৱাই দিলে। তাত স্নান, পান, অৱগাহন কৰি আমাৰ ছয়ত্ৰিশ জাতি শুদ্ধ সদাচাৰী হৈ উঠিল। ব্ৰহ্মপুত্ৰৰ বহল বুকুত এই ধাৰ সোঁত আজিও বৈ আছে বাবেই, অসমত মানুহৰ ছাঁটোৰেও উচাপ খুৱাই, সনাজত অস্পৃশ্যতা দৈত্যক আনিব পৰাকৈ, মহাপুৰুষীয়া ধৰ্ম্মক অলপ-ধতুৰা কৰি তুলিব পৰা নাই। এই সোঁতত নামিবলৈ ভয় কৰা দহ চাৰিজন বৰালি বুকুৰা লোকে সোঁতে এৰি থৈ যোৱা ডাঁজ এসোপাত সোমাই জোনোৰা একোটা মাৰি, হ'লে ঘঁহি পৰি পা ধোৱাৰ দৰে, নিচক শুচি বোলাই কুৰিব পাৰিছে সচা; কিন্তু সেই কথাই সোঁতৰ ধাৰ চিঙিব নোৱাৰে।

## মহাপুৰুষীয়া ধৰ্ম্মত অন্ন-যোনিৰ বিচাৰ

মহাপুৰুষীয়া ধৰ্ম্মত অন্ন-যোনিৰ বিচাৰ আছে যদিও "জন্মগত অস্পৃশ্যতা" দোষ "হৰিনামৰ হাট" বেহাওঁতে কাকো চুৱা কৰিব নোৱাৰে। বছৰে বছৰে তীৰ্থ ভ্ৰমণ কৰি জগন্নাথ ক্ষেত্ৰত জাতি-বৰ্ণ-নিৰ্ব্বিশেষে সকলোৱে সকলোৰে মুখত যাচিব পৰা জগন্নাথৰ ভোগৰ দৰে নাম কীৰ্ত্তনত মাহ চাউল প্ৰসাদ বিতৰণৰ ব্যৱস্থা কৰিলে। গান্ধী মাহৰ "ভাইটামিন" বা প্ৰাণশক্তি এতিয়াহে আমাৰ চকুত পৰিছে। অন্ন-যোনিৰ বিচাৰ এই বৈজ্ঞানিক যুগত নানা ভাবে হবলৈ ধৰিছে। বিচাৰটো যে বিজ্ঞান সন্মত এই কথা সকলোৱে স্বীকাৰ কৰিছে। স্বাস্থ্যৰ ফালৰ পৰা অন্ন আৰু প্ৰজননৰ ফালৰ পৰা যৌন-বিচাৰ বৰ্ত্তমান বৈজ্ঞানিক যুগতেই

বিশেষ গৱেষণাৰ প্ৰশ্ন হৈ পৰিছে। কলিত "অন্নগত প্ৰাণ" যেতিয়া বুলিছে সেই অন্নই প্ৰাণ-শক্তি বঢ়াব লাগিব। নানা সংক্ৰামক ব্যাধিৰ বীজ অন্নৰ লগত নানা ভাবে শৰীৰলৈ গৈ স্বাস্থ্য হানি কৰে। গতিকে খোৱা লোৱা কথাত বাছ-বিচাৰ কৰাতো বেয়া কথা নহয়। কিন্তু বাছ-বিচাৰেই যেতিয়া জাত বিচাৰত পৰিণত হৈ, সি তেতিয়া নগা-মৰা লুকাই থকা জাতৰ হাতে খাইতে জাতো আগৰ দৰে নৰয়, স্বাস্থ্যও হানিহে হয়। মানুহৰ বংশ ধাৰা বুলি এটা কথা আছে। যৌন-সম্বন্ধৰ লগত ইয়াৰ বৈজ্ঞানিক সত্য সংযোগ আছে। সেই কাৰণে বিবাহত গোত্ৰ বিচৰা, অনুলোম প্ৰতিলোম বিচাৰ, অসবৰ্ণ বিচাৰ আদি যিবিলাক কথা চলি আহিছে শুনিতেই সি কাল্পনিক বুলি উৰাই দিব নোৱাৰি। প্ৰাকৃতিক জগতত এনে বিচাৰ আছে। এখন গাৰঁৰ দমৰা আন এখন গাৰঁৰ দমৰাৰ সৈতে সগোৰা, এঠাইৰ মুগাৰ পঁচ আন এঠাইলৈ নিয়া কথাই যৌন-সম্বন্ধত ওচৰ দূৰ বিচাৰ সমৰ্থন কৰে। কিন্তু এইটোও দেখা গৈছে যে এটা টেঙা আমৰ পুলিত মিঠা আমৰ কলম এটা জোৰা দি টেঙা আমৰ গছত মিঠা আম লগাব পাৰি, ভাটিৰ বলধৰ পালখোৱা আমাৰ দেশৰ টিপিকি গাইবো ভাটিৰ গৰুৰ দৰে শকত-আৱত পোৱালি হৈছে। অসবৰ্ণ বিবাহতো কোনো ক্ষেত্ৰত সন্তি-সন্ততিৰ উন্নতি হোৱা দেখা যায়। গতিকে "অন্ন-যোনিৰ বিচাৰ" যথাৰ্থতে বিচাৰ্য্য কথাই। কিন্তু সেয়ে গৈ নিজৰ তিৰোতাৰ হাতেও খাব নোৱাৰা হোৱাটো, "এৰা, সমান হলেও তেওঁলোকৰ ঘৰত আমাৰ বিয়া-বাক আগৰ পৰা চলা নাই।" এনে বিলাক যুক্তিয়ে বিচাৰি নোপোৱা কথাহে মহাপুৰুষে কোৱা "অন্ন-যোনিৰ বিচাৰ"ৰ প্ৰকৃত অৰ্থ বুলি কব নোৱাৰি। অন্ততঃ অন্ন যোনিৰ বিচাৰ থাকিবই নোৱাৰে, এনে কথা বৰ্ত্তমান যুগত, কথাই কথাই বিজ্ঞানৰ নজিৰ দিচৰা আধুনিক প্ৰণালীত শিক্ষিত

সকলোৱে নকৰে। মহাত্মা গান্ধী হিন্দু সমাজত অসবৰ্ণ বিবাহৰ পক্ষপাতী। সেয়ে নহলে হিন্দু সমাজ সবল হৈ উঠা টান বুলি কয়। এনে বিবাহ নোহোৱাৰ কোনো বৈজ্ঞানিক বা শাস্ত্ৰীয় যুক্তিও নাই। যথাৰ্থতে অসবৰ্ণ বিবাহ অতি প্ৰাচীন কালতো চলিছিল। পাবনাৰ সৎসঙ্গ আশ্ৰমৰ ঠাকুৰ অনুকুলচন্দ্ৰৰ মতো একে ৰকমৰ। তেওঁ কয় বঙালী জাতিৰ বিবাহ সংস্কাৰ নহলে এই জাতিৰ কোনো প্ৰকাৰ উন্নতি হ'ব নোৱাৰে। কিন্তু এনে এটা মতভেদ দেখিবলৈ পাওঁ, মহাত্মা প্ৰতি-লোম অসবৰ্ণ বিবাহৰ বিশেষ পক্ষপাতী। ঠাকুৰ অনুকুলচন্দ্ৰই কয় অনুলোম অসবৰ্ণ বিবাহ শ্ৰেষ্ঠ আৰু শুভ ফলপ্ৰদ। এই দুই বিধ মতৰ যুক্তিকেই সহজে খণ্ডাব নোৱাৰি। অসবৰ্ণ-বিবাহত যে কোনো প্ৰকাৰ মৌলিক শৰীৰ-বিজ্ঞান-সম্মত নোহোৱা কাৰণ আছে এনে মনে নধৰে। সদায় অভ্যাস-যোৱা কৰা বাটটো অলপ ঘুৰোৱা-পকোৱা হলেও যি দৰে ভৰি সেই ফালেহে আগ বাঢ়ে, সদায় চলি অহা প্ৰথা এৰি মনে আন এটা প্ৰথা গ্ৰহণ কৰিবলৈ বৰ টান পায়। কিন্তু মনে টান পালেও, সি দেহাক সুখিব পাৰে। মুঠতে বিজ্ঞানসম্মত "অন্ন-যোনিৰ বিচাৰ" আহাৰ-বিহাৰত থকা বাঞ্ছনীয়। চলি অহা সংস্কাৰ-গত "নাপায়" সৰ্ব্বটাক মন্ত্ৰেৰে তাক স্থিৰ কৰা, সমাজৰ আদেশ হ'ব পাৰে, কিন্তু সি কেতিয়াও আদৰ্শ কথা হ'ব নোৱাৰে।

## তীৰ্থ ভ্ৰমণৰ উদ্দেশ্য

মহাপুৰুষে দুবাৰো তীৰ্থ ভ্ৰমণ কৰে। প্ৰথমবাৰ বাৰ বছৰ ফুৰে। এই তীৰ্থ ভ্ৰমণ পুণ্য অৰ্জ্জা বা পাপ ক্ষয় কৰি অহা বিধৰ নাছিল। সকলো শাস্ত্ৰত পাৰ্গত হৈ উঠা যি বিদগ্ধ পণ্ডিত

শঙ্কৰদেৱে এই তীৰ্থ ভ্ৰমণত ভাৰতৰ নানা ঠাইৰ সাধু-সঙ্গম বিচাৰিছিল, ধৰ্ম্মৰ বৈশিষ্ট্য মন কৰিছিল, মঠ-মন্দিৰ, গীত, বাদ্য, শিল্প-কলাৰ বিশেষত্ব বিলাক চাই ফুৰিছিল—ভাষা, সাহিত্য, সংস্কৃতিৰ মৰ্ম্ম লৈছিল। এইদৰে ভাৰতৰ নানা ঠাইৰ নানা বিষয়ক জ্ঞান আহৰণ কৰি শুদ্ধ ভাগৱতী ধৰ্ম্মৰ নিকা পতাকাৰ তলত, নিজৰ আত্মাই পৰিচয় পোৱা নাম-ধৰ্ম্ম প্ৰবৰ্ত্তন কৰি মহাপুৰুষীয়া ধৰ্ম্মৰ ভেটিত এক বিৰাট অসমীয়া কৃষ্টি, সভ্যতা, সমাজ সৃষ্টি কৰি থৈ গল। এইটোৱেই তেওঁৰ তীৰ্থ ভ্ৰমণৰ ঘাই উদেশ্য বুলি মনে ধৰে। নহলে তেওঁ দুবাৰো আৰু অতকাল তীৰ্থ ভ্ৰমণ কৰি বিশ্বাসেৰে নকলেহেঁতেন "যাহাৰ মুখত থাকে হৰি হেন নাম। গঙ্গা, গয়া কাশী পুষ্কৰতো নাহি কাম॥" তীৰ্থ-ভ্ৰমণত তেওঁ দেখিলে বৈষ্ণৱ ধৰ্ম্মৰ আনুসঙ্গিক বস্তু সাহিত্য আৰু কলা। এই বিষয়েও মহাপুৰুষৰ কি অতুলনীয় প্ৰতিভা! ভিন্ন ভিন্ন প্ৰদেশৰ গীত, মাত, নাট, বাদ্য, যন্ত্ৰ, চিত্ৰাঙ্কণ, ৰচনাভঙ্গি সকলো কথালৈ লক্ষ্য ৰাখি তেওঁ অভুতপূৰ্ব্ব অসমীয়া সাহিত্য, গীত-মাত, নাট, কাব্য, কলাৰ সৃষ্টি কৰিলে। সকলো ধৰ্ম্ম-শাস্ত্ৰ মন্থন কৰি সৰল মনোজ্ঞ অসমীয়া ভাষাত তাৰ লৱণু বিলাই দিলে, কীৰ্ত্তনত নতুন সুৰ দিলে। তেওঁৰ বৰ গীত, অসমীয়া সঙ্গীত, কাব্য, অপূৰ্ব্ব দান। ব্ৰজবুলি অসমীয়া ভাষাৰ নতুন ঠাচত ভক্তি ৰসত তিয়াই ৰসাল কৰা তেওঁৰ সাহিত্য-কলাৰ সোৱাদ লৈ আজি পাঁচ-শ বছৰেও অসমীয়া জাতিয়ে তাৰ পৰা মুখ আঁতৰাব পৰা নাই। তেওঁৰ "বেদস্তুতি" পুথিৰ প্ৰাঞ্জল অসমীয়ালৈ চাই এনে ভাব হয়—বেদেহে যেন অসমীয়া ভাষা জননীক স্তুতি কৰিছে। পুৰাণ ভাগৱতৰ সাৰ তেওঁৰ "ৰত্নাকৰ" বাৰ স্কন্ধ ভাগৱতৰ সাৰ "গুণমালা"। এই দৰে লেখ-জোখ নোহোৱা শাস্ত্ৰ ভাগৱত পুৰাণ উপাখ্যান। বেদ-বেদাঙ্গ, তাৰ বিবিধ

উঠা, সৰল অথচ ভাব ব্যঞ্জক অসমীয়া ভাষাত মৌলিক ঠাঁচত লেখি একো একোটি সংক্ষিপ্ত সংস্কৰণ দি অসমীয়া সাহিত্যক চহকী কৰিলে, ভাবৰ ধাৰা বোৱাই দিলে. ভাৰতৰ ভাষাৰ দৰবাৰত অসম জননীয়ে অতি ওখ আসন লাভ কৰিলে। জগন্নাথে স্বপ্নত এনেকৈ কোৱা নাছিল "আমাত শঙ্কৰত কোনো ভিন নাই। তুমি তাত গৈ ভাগৱত শুনাগৈ।" শঙ্কৰ প্ৰতিভাৰ বলত পৰি মাধৱদেৱৰ ৰচনা আৰু উজ্জ্বল হৈ উঠিছে। তেওঁ ভাষা জননীক ৰত্ন-সিংহাসনত বহুৱাই সকলোৰে অৰ্চনীয় কৰি তুলিলে। এই দুজন মহাপুৰুষে ধৰ্ম্মৰ গুৰি বঠা লৈ যিখন পাঞ্চৈত উঠি নানা তীৰ্থ, দেশ পৰিভ্ৰমণ কৰি "হৰি নামৰ হাটত" বেহাই জাতীয় বৈভৱ বঢ়াবলৈ যি বিলাক সজুলি আৰু সম্ভাৰ ব্ৰহ্মপুত্ৰৰ দুই পাৰে ওপচাই দি থৈ ভটিয়াই গল আৰু উটি নাহিল, তাৰ ঢৌ আজিও মাৰ যোৱা নাই। আজি শঙ্কৰ 'গোমোস্তাৰ' সদাগৰী নাও ক'ত? ক'ৰ চটত লাগি আছে কোনোৱাই তাৰ সম্ভেদ দিবনে? মহাপুৰুষ সকলে কোন অতীততেই অসমীয়া ভাষা আৰু সাহিত্যত মৈথিলি, হিন্দী আদি ভাষাত লিখিত সাহিত্যৰ ভাব ধাৰাৰ পৰা নিজৰ ভাষা আৰু সাহিত্যত একোটা সম্পূৰ্ণ নতুন গঢ় দি সেই কালৰ প্ৰগতিশীল সাহিত্যৰ সৃষ্টি কৰিলে, অথচ আজি আমি সেইদৰে তেওঁলোকৰ লেখনীপ্ৰসূত ৰত্নৰাজি লাৰি-ছাৰি তাত নতুন আভা দি আকৌ এক অভিনৱ প্ৰগতিশীল সাহিত্য সৃষ্টি কৰিবলৈ চেষ্টা কৰিছোনে? পুৰণিক ন সাঁচত ঢালিব পৰাটোও প্ৰগতিশীল কাম নহয় জানো?

## মহাপুৰুষীয়া ধৰ্ম্মত মূৰ্ত্তি পূজা হব পাৰেনে?

নাম ঘোষাত কোৱা মূৰ্ত্তিশূন্য অব্যক্ত ঈশ্বৰ হৰিক পূজা কৰা টান। এতেকে ৰাম বুলি মন শুদ্ধ কৰা কথাটো মানিলে, মূৰ্ত্তি পূজা

হব নোৱাৰে। কীৰ্ত্তনত প্ৰথমে ব্ৰহ্মৰূপী সনাতন নাৰায়ণকহে নমস্কাৰ কৰা হৈছে। 'হৃদ্‌ ধৰা ৰূপ মুখে বোলা ৰাম' এয়ে মহাপুৰুষীয়া ধৰ্ম্মৰ আদেশ। "এক দেৱ এক সেৱ এক বিনে নাই কেও" ভাবি কোৱা হৈছে 'আন দেৱী দেৱ নকৰিবা সেৱ, ....ভক্তি হৈব ব্যভিচাৰ"— এইটো মানা হৈ। আনৰ ধৰ্ম্ম বিশ্বাসক নিন্দাও নকৰিবা বন্দনাও নকৰিবা—এয়ে নিৰ্দ্দেশ। তেন্তে মূৰ্ত্তি পূজাৰ ঠাই বা সুৰুঙাই থাকিল ক'ত? সমাজত মূৰ্ত্তি পূজাৰ সংখ্যাও কম নহয়। গতিকে পাৰি-পাৰ্শ্বিকতাৰ প্ৰভাৱ উভয় ঠাইতে পৰাৰ কথা। কিন্তু সেই বুলি কব নোৱাৰি যে মূৰ্ত্তি পূজা মহাপুৰুষীয়া ধৰ্ম্মসন্মত। ইফালে এইটোও আমি চকুৰে দেখিছো মহাপুৰুষ প্ৰবৰ্ত্তাই থৈ যোৱা সত্ৰাদি বিলাকত নানা বিগ্ৰহে ঠাই পাইছে। কিন্তু একোখন সত্ৰই কেৱল একেটি বিগ্ৰহকে মানে যে এই কথাই ইয়াকে পমাণ কৰে, হয় ৰজাই তান্ত্ৰিক ধৰ্ম্মত দীক্ষিত হোৱাৰ পাছত ৰাজ-নিৰ্দ্দেশত বা ৰজাৰ সন্তোষাৰ্থে সত্ৰবিলাকত বিগ্ৰহ স্থাপন কৰিবলৈ ধৰিলে বা এক দেৱকো বুজাইছে বুলি বিগ্ৰহ পূজাত পুৰুষানুক্ৰমে অভ্যস্ত, বিশেষকৈ ব্ৰাহ্মণ গোসাঁই সকলে, সত্ৰবিলাকত একোজন বিগ্ৰহ বিষ্ণুৰে বিভিন্ন নামত স্থাপন কৰিলে। মাধৱদেৱৰ মহাপুৰুষে নামঘোষাত কোৱা কথালৈ চাই আমাৰ অনুমান সঁচা হব পাৰে। "অন্তৰত এক" ঈশ্বৰক মানি "বাহিৰত নানা ভাৱে দেখাৰ" কথা কৈছে। অন্তৰত 'বোধ' ৰাখি বাহিৰত 'জড়প্ৰায় বিচাৰকে' কৰিবলৈ কৈছে। "বুদ্ধিত সমস্তে তেজিওক, বাহিৰত সঙ্গ দেখাযোৱ"। ইয়াত মূৰ্ত্তি পূজাত কিমান আন্তৰিকতা আছে সেই বিষয়ে ঢকৈ ভাবি চাব লাগিব। সেই সময়ৰ সমাজৰ কট্ৰ-কটীয়া ব্ৰাহ্মণ পৰি বাতিৰে এই দৰে মূৰ্ত্তি মনা কথা কৈ অন্তৰত তাক নৈমানিবলৈ কোৱাৰ কাৰণ সেয়ে। যি মহাপুৰুষ দামোদৰদেৱে

এদিন কৈছিল ‘মোৰ গল ছাগলৰ ওপৰত’ হেহে বলি দিব পৰা হব। তেনে কোনো কোনো দামোদৰীয়া সত্ৰৰ শৰাকীসকলে আজি-কালি তান্ত্ৰিক মন্ত্ৰত দীক্ষা দিছে। আহোম ৰজা সকল শাক্তিপূৰীয়া গোসাঁইত তান্ত্ৰিক ধৰ্ম্মত দীক্ষিত হবৰ দিন ধৰি বহুত মহাপুৰুষীয়া সত্ৰৰ গঢ় লবিল, এই কথা সঁচা। কিন্তু সেই বুলি মহাপুৰুষীয়া ধৰ্ম্মত প্ৰবৰ্ত্তা কোনো কোনো লোকে বা সত্ৰাদিয়ে নামধৰ্ম্মৰ লগতে মূৰ্ত্তি-পূজা কৰিলেও, মহাপুৰুষীয়া ধৰ্ম্মবিধান মতে মূৰ্ত্তিপূজাৰ বিধান হব পাৰে নে? মহাপুৰুষীয়া ধৰ্ম্ম যেতিয়া এক শৰণীয়া নাম ধৰ্ম্ম, অব্যভিচাৰী ভক্তি সিজিবলৈ হলে, এক দেৱৰ বাহিৰে আন সেৱা হব নোৱাৰে যেতিয়া, মূৰ্ত্তি পূজাৰ প্ৰশ্নই উঠিব নোৱাৰে। সেই বুলি মূৰ্ত্তি মনা লোকৰ সৈতে মহাপুৰুষীয়া লোকৰ বিৰোধ কোন থিনিত হব পাৰে?

## আন ধৰ্ম্মৰ লগত বিৰোধ নাই

মহাপুৰুষীয়া ধৰ্ম্মত আন দেৱ দেৱী “বন্দিবাকো হুহি, নিন্দিবাকো হুহি” ইয়াত বিৰোধৰ কথা উঠিব কেনেকৈ? বৰং মহাপুৰুষীয়া সকলে অন্তৰৰ পৰা বিশ্বাস নকৰিও যদি মিছা উদাৰতা দেখুৱাই মূৰ্ত্তিপূজাত যোগদান দিয়ে, বিশ্বাসী একনিষ্ঠ মূৰ্ত্তিপূজকসকলে ভাত বেয়া পোৱাৰ হে কথা। কাৰণ ধৰ্ম্ম উপলুণ্ডা কৰা বস্তু নহয়। খৃষ্টান আৰু মুছলমান ভাই সকলৰ লগত যদি কোনো ধৰ্ম্ম-বিৰোধ হব নোৱাৰে আৰু হোৱা উচিতো নহয়, তেন্তে মহাপুৰুষীয়া আৰু আন আন পন্থী সকলৰ লগত বিৰোধৰ কাৰণ কত থাকিব পাৰে?

## মহাপুৰুষীয়া ধৰ্ম্মমতে অশৌচ পালন

“এক দেৱ এক সেৱ” নাম ধৰ্ম্মৰ মাজে দি আচৰণ কৰা মহাপুৰুষীয়া ধৰ্ম্মত এঘাৰ দিনীয়া ত্ৰিশ দিনীয়া অশৌচ পালন কৈ থি

বাদ-বিসম্বাদ ঠায়ে ঠায়ে চলিছে, সেইটো অতি দুঃখৰ কথা। যাগ-যজ্ঞ ক্ৰিয়া-কাণ্ডৰ মাজেদি দেৱতাক সন্তুষ্ট কৰা আৰু পিতৃ পুৰুষসকলক পিণ্ডদান কৰা হয়। ই সম্পূৰ্ণ প্ৰবৃত্তি মাৰ্গৰ কথা। মহাপুৰুষীয়া ধৰ্ম্ম মূলতে "মুক্তিতো-নিস্পৃহ" কেৱল "ভকতত বশ্য," হৰিৰ নাম কীৰ্ত্তন কৰি আত্মসমৰ্পণ কৰা। ই নিবৃত্তি মাৰ্গৰ শেষ সীমাত উপনীত হৈ পোৱা সত্য। দহ দিন দহোটা পিণ্ড খাই দশ অঙ্গ পূৰ্ণ কৰি প্ৰেতলোকৰ পৰা উদ্ধাৰ পোৱা কল্পনা ভক্তিৰসত সিক্ত পৰমাত্মাৰ চৰণামৃত পান কৰা জীৱাত্মাৰ পক্ষে প্ৰয়োজনীয় বিষয় নহয়। পিণ্ডৰ মূলত শৰীৰী জীৱনৰ ছাট পৰিছে—পৰমানন্দ লোকত বিৰাজ কৰা কৃষ্ণ চৈতন্য জীৱাত্মাত এই কথা নাখাটে। গতিকে মহাপুৰুষীয়া ধৰ্ম্ম মতে গণেশাদি পঞ্চদেৱতাৰ পূজাভাগী আগধৰি কৰি লৈ পাছত পিতৃপুৰুষক দিয়া পিণ্ড "এক দেৱ এক সেৱ" মনা মহাপুৰুষীয়া লোকৰ বিশ্বাসলৈ অৰ্পণ হব নোৱাৰে। "নামে ৰতি, নামে গতি নামতে মুকুতি। ভকতৰ নাম পিণ্ড, নামে মাত্ৰ গতি।" "শ্ৰাদ্ধত বিশ্বাস কৰি নাম খিটো এৰে। সিটো জনে আপোনাক আত্মাঘাত কৰে॥" ইত্যাদি বচনৰো অভাৱ নাই। আজি-কালি পিণ্ড আৰু নাম দুয়োটা চলাই পিছৰ বচন ফাকিৰ অৰ্থ সাৰ্থক কৰিছো বুলি নিজক ফাঁকি দিয়া লোকো আছে। সেই কালৰ নিকপকপীয়া সমাজত—যি সময়ত সমাজৰ মতে নচলিলে প্ৰাণনাশৰো আশঙ্কা আছিল "বাহিৰে দেখাই বোলো" বুলি মহাপুৰুষ শঙ্কৰ গুৰুৱে নিজে পিণ্ডাদি দান কৰিব পাৰে। আজিৰ দিনতো আমি বিশ্বাস নকৰা কতবিলাক কাম কৰিছো। এনে বিলাক কথাই—সমাজৰ ডঁড়িত চলা—কোনো এটা ধৰ্ম্ম বিশ্বাসত পোৱা সত্যৰ অপলাপ কৰিব পাৰে নে? কথা হৈছে মহাপুৰুষীয়া ধৰ্ম্মৰ মূলতত্ত্ব মানি চলা সকলে শ্ৰদ্ধাৰে নামকীৰ্ত্তন কৰি পিতৃ-মাতৃৰ শ্ৰাদ্ধ

এঘাৰ দিনতেই হওক বা এমাহতেই হওক, বা নাজত ধৰিয়েই হওক, পালন কৰিলে "হৰি নামে" সকলো কাম 'সুসাঙ্গ' কৰা শ্ৰাদ্ধই হব। ইয়াত যাৰ ৰুচি নাই, তেওঁলোকৰ কথা সুকীয়া। একোটা বেচুৱা লৰাক কটিয়াই কল খুৱাব পাৰি; কিন্তু একোটা বিশ্বাস তেনেকৈ মনত সুমাই দিব নোৱাৰি। অভ্যাসৰ দোষত বা সমাজৰ ওচৰত অতিপ্ৰিয় হবলৈ গৈ আমি বহুত কাম বিশ্বাস নকৰাকৈও কৰি আহিছো। কিন্তু সময়েই তাক ধৰা পেলাই মুখ উলিয়াব নোৱাৰা কৰিছে। ইযাতো সেই কথা খাটিব। কিন্তু, আজি চল্লিশ কোটি হিন্দু মুছলমান, খৃষ্টান জাতি উপজাতি তথাকথিত স্পৃশ্য অস্পৃশ্য সকলো লোক এক হৈ এটা বিৰাট ভাৰতীয় জাতি গঠন কৰিবলৈ ওলাইছে—মহাত্মাই যি সময়ত হিন্দু সমাজৰ গৰ্ভ নাৰেঙাত শুকনি দিব খুজিছিল, সেই সময়ত এমুঠি অসমীয়াই এঘাৰ দিনীয়া এমহীয়া অশৌচ লৈ ৰকাই থাইৰ ভিতৰতো এঘৰীয়া কৰা স্বাধীন যুগৰ স্বাধীন চিন্তাৰ অনুকূলে যোৱা কথা হব নোৱাৰে। আজি ভোগেশ্বৰী ফুকনানী, কুশল কোঁৱৰ লক্ষ্মী, বলোৰাম, ঠগীৰাম, তিলক ডেকাক এঘাৰ দিনত বা এমাহত পিণ্ড নিদিলেও সাতোটা যমেও তেওঁলোকক প্ৰেত লোকত ৰাখিব পাৰিবনে? মহাপুৰুষীয়া ধৰ্ম্ম মানি চলা সকলে শ্ৰাদ্ধ কিয়, সকলো কামকে হৰিনামেৰে 'সুসাঙ্গ" কৰিবলৈ অভ্যাস কৰক। দেখিব, যেতিয়া সেইপাত শবে মিছা কোলাহল কৰা সকলৰ কৰ্ণপথে সৰকি যাব, গমকে নাপাব। বতাহে পদুম পাতৰ পানীটোপাহে বাগৰাব পাৰে, চকাটোৰ ৰেণু এটাও সৰকাব নোৱাৰে—সি প্ৰস্ফুটিত শতদল হৈ শোভা আৰু সুগন্ধ দিবই দিব। শঙ্কৰ সূৰ্য্যৰ প্ৰতিভা-ৰশ্মি পৰি সময়ত তমসাত পৰি মুদ খালেও অসমীয়া সমাজৰ শতদল পদ্ম আকৌ বিকশিত হবই হব।

## যজ্ঞসূত্ৰত কৈ সূত্ৰযজ্ঞ বেছি পবিত্ৰ

শ্ৰমৰ সোৱাদ পোৱাটো মহাত্মা গান্ধীয়ে ধৰ্ম্মৰেই অঙ্গ বুলি ভাবে। মহাত্মাৰ সংগঠন স্বাৱলম্বন—মুক্তিৰেই পথ। সূতা কটা তেওঁৰ মানত সূত্ৰযজ্ঞ। যজ্ঞসূত্ৰতকৈ সূত্ৰযজ্ঞকে তেওঁ বেছি পবিত্ৰ যেন জ্ঞান কৰে। নিজৰ মলমূত্ৰ নিজে আঁতৰোৱা তেওঁৰ মানত কৰ্ম্ম-যোগৰ অভ্যাস। মূৰৰ ঘাম ভৰিত পেলাই নিজৰ জীবিকা আৰ্জ্জন কৰা বাইবেলৰ শিক্ষা। হজৰত মহম্মদে নবী অৱস্থাত, বচুল অৱস্থাতো ভেৰা ছাগলীৰ নোম কাটিবলৈ পাহৰা নাছিল। নিজৰ কাপোৰ সদায় নিজে টাপলি মাৰি লৈছিল। মহাপুৰুষ শঙ্কৰদেৱৰ শিক্ষাতো শ্ৰমকাৰী ভকতৰ ধৰ্ম্মত কোনো কালে বাধা নপৰিছিল। বৰং শ্ৰম কৰাটো সেৱা কামৰ ভিতৰতেই আছিল। নাম ঘৰৰ ভেটি তোলা, চটি কটা, সিংহাসন কটা, মণি কটা, নাও কটা নিজৰ লাগতীয়াল তাবৎ কাম ভকতসকলে নিজে কৰি লোৱা ৰীতি আছে। অনেক সত্ৰৰ গোসাঁই, মহন্ত সকলে ভাওনাৰ সজুলি তৈয়াৰ কৰা, সিংহাসন কটা কামত পাগতালি দেখুৱাই বিশেষ প্ৰশংসাৰ পাত্ৰ হয়। মহাপুৰুষ সকলে নিজে সদায় গৃহস্থালিৰ সকলো কাম কৰিছিল। সৰল জীৱন যাপন, সজ চিন্তা, সজ আলোচনাৰে মানসিক, আধ্যাত্মিক উন্নতি সাধন, দহৰ সেৱা কামত হাত দিয়া—এই বিলাকেই তেওঁলোকৰ দিনটোৰ কাম। তেওঁলোকৰ এই আদৰ্শই সকলোকে কৰ্ম্মক্ষেত্ৰত প্ৰেৰণা দিয়ে। তেওঁলোকৰ ওচৰত শাৰীৰিক পৰিশ্ৰমৰ কোনো কামেই হীন নহয়। গাওঁ সংগঠনত মাজে সময়ে গাওঁৰ আলি-পদূলি চাফ কৰা আৱৰ্জ্জনা পেলোৱা কৰ্ম্মীসকলৰ "চাফাই কামৰ" ভিতৰত মহাত্মাই পেলাইছে। মহাপুৰুষ শঙ্কৰদেৱৰ দিনতো এনে "চাফাই কামৰ" আভ্যন্তৰিক শুদ্ধাচাৰ তেওঁৰ অনুৰক্ত শ্ৰীৰাম

আতাৰ জীৱনীৰ পৰাই দেখুৱাব পাৰি। হজৰত মহম্মদে খেজুৰৰ ছালি এডোখৰ দিয়েই বা মুকলি ঠাইতে যি দৰে প্ৰথমতে নামাজ পঢ়া আৰম্ভ কৰিছিল, আমাৰ মহাপুৰুষীয়া ভকত সকলেও "গ্ৰামতে" মুকলি ঠাইতেই নাম-কীৰ্ত্তন কৰিবলৈ ধৰিছিল। মাধৱদেৱ মহাপুৰুষে প্ৰথম শিঙৰি ঘৰ নাম দি তাতে নাম-প্ৰসঙ্গ আৰম্ভ কৰে। আমি জনাত কীৰ্ত্তন ঘৰৰ ব্যৱস্থা প্ৰথমতে দামোদৰদেৱ মহাপুৰুষে কৰে। যি হওক, এদিন ঠাকুৰ আতাৰ পৰিবাৰে সেই শিঙৰি ঘৰত ভাৱনা চাবলৈ যায়। শ্ৰীৰাম আতাক তেওঁৰ ঘৰত সেই নিশা থৈ যায়। শ্ৰীৰাম আতাই ঠাকুৰ আতাৰ অপৰিষ্কাৰ হৈ থকা ঘৰ-দুৱাৰ বিলাক ৰাতি ৰাতিটো চাফ-চিকন কৰি মচি-কাচি আটোম-টোকাৰি কৰি পেলালে। কানি-কাপোৰ ধুই-পখালি বেৰত মেলি থ'লে। পুৱা তেওঁলোক আহি আচৰিত হল। শ্ৰীৰাম আতাই কলে—"দোষ-দায় নধৰিব, ঘৰ-দুৱাৰখিনি কেৱল পৰিষ্কাৰ কৰিলো।" এনে ধৰ্ম্ম আচৰণেই মহাত্মাই কোৱা দৰে এদিন পৃথিৱীখন শাসন নকৰিবনে? এনে মহাপুৰুষীয়া ধৰ্ম্মই যে আচৰণসুলভ নগাৰ নৰোত্তম, গাৰোৰ গোবিন্দ, মিৰিৰ শ্ৰীৰাম আতৈৰ শাৰীলৈ নিব পাৰিছিল, তাত আচৰিত হব লগীয়া একো নাই। দুঃখৰ কথা বৰ্ত্তমান আমাৰ পতিত সমাজত এনে বিলাক জলন্ত দৃষ্টান্ত উপকথাৰ দৰে হৈ পৰিছে।

## মহাপুৰুষীয়া ধৰ্ম্মৰ পৰম পুৰুষ

বিষ্ণুতেই সকলো অৰ্পণ বৈষ্ণৱ ধৰ্ম্মৰ সাৰ কথা। এই ব্যাপক সত্যই পৰমানন্দ পৰম পুৰুষ। ভক্তিমাৰ্গেদি দাস্য ভাবে এই পৰম পুৰুষৰ সেৱা কৰাই মহাপুৰুষীয়া ধৰ্ম্ম। মহাপুৰুষীয়া ধৰ্ম্মৰ "কৃষ্ণ ৰাম" এই

পৰমানন্দ পুৰুষেই নামান্তৰ। খৃষ্টান জগতত প্ৰভু যীশুখৃষ্ট, মুছলমান জগতত হজৰত মহম্মদ যি দৰে ঈশ্বৰপ্ৰেৰিত মহাপুৰুষ বুলি তেওঁ লোকত অচলা ভক্তি দেখুৱা যায়, হিন্দু জগততো পৰম ব্ৰহ্মৰ অংশাৱতাৰ দৈৱকী-নন্দন শ্ৰীকৃষ্ণ দশৰথ-সুত শ্ৰীৰামচন্দ্ৰ ভক্তিমাৰ্গে যোৱা বৈষ্ণৱ সকলৰ ভক্তিৰ পাত্ৰ মাথোন। বৈষ্ণৱ ধৰ্ম্মৰ ব্যৱহাৰিক আচৰণত এই আদৰ্শ অৱতাৰী পুৰুষ সকলকে ভক্তি-অৰ্ঘ্য অৰ্পণ কৰা হয়। কিন্তু পৰমাৰ্থ-জ্ঞান-পিপাসু আত্মাই সেই পৰমানন্দৰেই আস্বাদ গ্ৰহণ কৰে। মহাপুৰুষ শঙ্কৰ গুৰুৱে ভালদৰে অনুভৱ কৰিছিল যে গুহানিহিত ধৰ্ম্মতত্ত্ব সাধাৰণৰ বোধগম্য বস্তু নহয়। সেই কাৰণে মহাজনে সেই পথ দেখুৱাই দিব লাগিব। তাৰ কাৰণেই সত্ৰ স্থাপন, ভকতৰ সংসঙ্গ, নাম-কীৰ্ত্তন আদি অনুষ্ঠান বিলাক পাতি দিলে। তাতোকৈ সহজ কথাত কলে "বিশ্বাসে পাইবে বস্তু তৰ্কে বহু দূৰ।" ধৰ্ম্ম যথাৰ্থতে বিশ্বাসৰ বস্তুহে। তাকেই মানৱ জীৱনত বিশেষ শ্বাস বুলিব পাৰি। এই বিশ্বাসৰ বশৱৰ্ত্তী হৈ ঈশ্বৰত অচলা ভক্তি দেখুৱাব পাৰিলেই শাস্ত্ৰৰ শুকান তুলাপাত বা গছ বাকলিৰ পৰা তপ্ তপ্ কৈ ৰস বৈ যায়। এই কাৰণেই মহাপুৰুষে ভক্তিমাৰ্গে প্ৰবৰ্ত্তাই ভকতৰ মুখত নাম উচ্চাৰণ কৰোৱাই 'হৰিনামৰ হাটত" সকলোৱে অবাধে বেহাৰ পৰা সুবিধা কৰাই দি থৈ গল। এতিয়া সেই হাটত যদি কোনোৱে জুৱা-খেল পাতে সেইটো মহাপুৰুষীয়া ধৰ্ম্মৰ দোষ হব নোৱাৰে। মহাপুৰুষীয়া ধৰ্ম্মত ঠাল ঠেঙুলি বহুতো মেলিব পাৰে। সেয়ে হলেও সি ঘাই গছৰ ৰসতহে পৰিপুষ্ট। তাত ঘাই গছৰ শোভা আৰু ছাঁয়া দিয়া ঠাই বহল হোৱাৰেই কথা। সুকীয়াকৈ বাঢ়িব খুজিলে ঠাল-ঠেঙুলিবেই মৰণ মিলিব। গা গছৰ লগত ঠেঙুলিৰ অসংলগ্ন সম্বন্ধ একাণৰ পৰা শুকাই অগাৰ বাহিৰে আন

একো হব নোৱাৰে। 'কালমায়াদিৰো অন্তকাৰী' পৰমপুৰুষ পৰম ব্ৰহ্মৰ অনুভূতি পাবলৈ হলে জীৱই ভক্তিমাৰ্গে ভকতৰ সঙ্গ লৈ নাম-কীৰ্ত্তনত প্ৰাণ-মন ঢালি দি শুদ্ধ সদাচাৰী হৈ উঠিলে, নৰেই নাৰায়ণ এই বুদ্ধি উপজিলে, সকলোতে আত্মদৰ্শন হলে পৰমানন্দ পৰম পুৰুষ আপুনি হৃদয়ত থিত দি জীৱৰ শেষ আনন্দ দিয়ে, এয়ে মহাপুৰুষীয়া ধৰ্ম্মৰ বিশ্বাসৰ "মহাবস্তু।"

## মহাপুৰুষীয়া ধৰ্ম্ম আজি স্বপ্ন নে দিঠক ?

শাৰীৰিক বলত ভেকাগিৰী, শাস্ত্ৰত অদ্বিতীয় পণ্ডিত, অসমীয়া ভাষাক অপূৰ্ব্ব গদ্য দি ভাবগ্ৰাহী সাহিত্য সৃষ্টি কৰোতা, দুৰ্ব্বোধ্য দেৱ ভাষা সংস্কৃতকো সহজে অসমীয়া ভাষাৰ মুঠিলৈ আনোতা, "হৰিনামৰ হাট" পাতি সকলোৰে সহজে বেহাৰ পৰা কৰি দিওঁতা, ধৰ্ম্মৰ একেখন ধ্বজাৰ তলত অপূৰ্ব্ব অসমীয়া সমাজ গঢ়ি তোলোতা, জাতি অজাতি সকলোকে শুচি কৰি চপাই লওতা, গীত-বাদ্য, নাট-মাত, নাম-প্ৰসঙ্গৰ মাজেদি অসমীয়া সমাজ দিনে মুখৰিত কৰি ৰাখোতা, জগৎগুৰু শঙ্কৰতকৈ নৰনাৰায়ণৰ যুগ প্ৰবৰ্ত্তনলৈ সহজ পন্থা দেখুৱাই যোৱা সমসাময়িক কেইজন মহাপুৰুষ বৈষ্ণৱ জগতত ওলাব ?

আজি স্বপ্নলোকত মহাপুৰুষৰ বিবিলাক কীৰ্ত্তিস্তম্ভ দেখিলো, সাৰ পাই দেখো সেইবিলাক ক'ত ? অসমীয়া জাতিৰ বুকুত কিহৰ ভূইকঁপ উঠি সেইবিলাক খহি পৰিল ? মহাপুৰুষে বুকুৰ বান্ধৱ কৰি তোলা জাতি সকল বোডদ'ম খাই পৰা নিগনি ডালশলীয়াই তাকে খাবলৈ আহোঁতে সিহঁতৰ খৰখৰণিত তালৰ মাত শুনি নাম গাবলৈ ধৰা শ্ৰীৰাম আতাৰ দৰে আতা সকল ক'ত ? অহিংসাৰ পথেদি যাওঁতে

ধৰ্ম্ম-কৰ্ম্ম-হীন ঠাই বিলাকত অসংখ্য সত্ৰ স্থাপন কৰি যাওঁতা সেই মহাপুৰুষৰ সত্ৰ বিলাকৰ মূধচ আজি ক'ত? এটকা মহন্ত আজি চৰতিয়াত পৰিণত হব লগা হল কিয়? অভেদাত্মা পূৰ্ব্বৰ আতা, বাপু, গৰাকী সকলৰ ভিতৰত মহন্ত আৰু গোস্বামী উপাধি ব্যাধিত পৰিছে গৈ কিয়?

## মহাপুৰুষীয়া ধৰ্ম্মৰ বিপ্লৱ

মহাপুৰুষ শঙ্কৰদেৱে বৰা নৰনাৰায়ণক শৰণ দিবলৈ অমান্তি হৈ যোগাসনত বহি মহাপ্ৰয়াণ কৰিলে বুলি কোৱা আছে। মহাগুৰু শঙ্কৰে বেছ অনুভৱ কৰিছিল—সাত্বিক বৈষ্ণৱ ধৰ্ম্ম ৰাজসিক ভাৱত থকা ৰজাৰ বস্তু নহয়। মহাপুৰুষীয়া ধৰ্ম্মৰ স্তম্ভ বিলাক কি দৰে খহিল বুৰঞ্জীৰ পাত মেলি চালেই ওলাই পৰিব। অসম ৰজা যি দিন ধৰি তান্ত্ৰিক ধৰ্ম্মত দীক্ষিত হল, সেই দিন ধৰি দেশ জুনাও জুভৰি হল। ব্ৰহ্মপুত্ৰত চলাচল কৰা ভলি-গধূৰ নাৱত এতৰি আৰু গঙ্গাৰ ঢৌত নাচি ফুৰা তলি-পাতল নাৱত আনটো ভৰি দি অসমীয়া জাতি হামখুৰি খাই পৰিব লগা হল। ভকতৰ কপালৰ বগা চন্দনৰ ফোট ৰঙা হৈ উঠিল। মোৱামৰীয়া বিদ্ৰোহ—লগে লগে ৰাজশক্তিৰ অপপ্ৰয়োগ আৰু অৱসান! অসমৰ স্বাধীনতাৰ বেলিমাৰ!!

মহাপুৰুষৰ আদৰ্শৰ পৰা খহি অহা অসমীয়া জাতিৰ দুৰ্দ্দশা আমি এই দৰে চকুৰ আগতে দেখিলো। তাৰ পাছতেই গৃহকন্দল, মানৰ আক্ৰমণ, শেহত লোকৰ আশ্ৰয় বিচাৰিলে যিটো হয় সেয়ে হল! দেশ ইংৰাজৰ একেবাৰে তলতীয়া হল, লগে লগে অসমীয়া জাতিৰ স্বাধীনতা গল, ধৰ্ম্ম-কৰ্ম্ম; কৃষ্টি-সভ্যতা সকলো তল পৰিল। গোটেই জাতিটোৱেই মন 'পেলাই' দিলে। মহাত্মা গান্ধীয়ে অসহযোগ আন্দোলনৰ লগে

কৈছিল যে সৰ্ব্বপ্ৰথমে আমাৰ দাস মনোভাৱ দূৰ কৰিলেহে ৰাজনৈতিক দাসত্ব দূৰ হব। আজি অত বছৰে তেওঁৰ কাৰ্য্য-পদ্ধতি মন কৰিলে দোপতদোপে তেওঁ জাতীয় মন যি দৰে আগ বঢ়াই আনিলে তাৰে চাই এই কথা অতি সত্য বুলি কব লাগিব। এই কথা ভাৰত জননীৰ সন্তান সকলে খোজ মিলাই অহাত সম্ভৱপৰ হৈ উঠা নাই, তেওঁলোকৰ মনে সকলো বাধা-বিঘিনি লঙ্ঘি আহিবলৈ ধৰাত হে এই খিনি আগ বাঢ়িব পৰা হৈছে। এদিন মহামতি বাৰ্কে কৈছিল, "ফ্ৰান্সৰ বিষয়ে মই হতাশ নহওঁ। কিয়নো ফৰাচী জাতিয়ে এতিয়াও নিজৰ মনটো বলি দিয়া নাই।" আমাক সকলো ক্ষেত্ৰত মনে হে চলায়; হাত-ভৰিয়ে খোজ হে দিয়ে, খটিয়াব নোৱাৰে। এই কথা যদি আমি বিশ্বাস কৰিব পাৰো, মনৰ দুৰ্ব্বাৰ গতিয়ে পৰ্ব্বত লঙ্ঘব, সাগৰ পাৰ হব, নেদেখা ঠাই দেখিব, নশুনা কথা শুনিব, পুৰাণে আখ্যানে শুনি অহা বৈকুণ্ঠখন হাতে হাতে ঢুকি পাব। মনে খন্দা পুখুৰিত পানী খাবলৈ পোৱা নাযায় সচা; কিন্তু মনে খুন্দা এটা মাৰি নিদিলে পুখুৰিটোৰ পুং ফুটি পানী ওলোৱা টান।

## মহাপুৰুষীয়া ধৰ্ম্মৰ পুনৰ প্ৰবৰ্ত্তন

মনৰ অৱসাদ নহা হলে ওপৰত উল্লেখ কৰা ইমান বিলাক বিপৰ্য্যয়েও আমাক জুৰুলা কৰিব নোৱাৰিলেহেতেন। এই অৱসাদৰ কাৰণ বিচাৰি যোৱাৰ এইটো সময় নহয়। এই মাহেন্দ্ৰ ক্ষণত ভাৰতৰ আকাশত আকৌ পোহৰ দেখা গৈছে। প্ৰাগজ্যোতিষ পুৰৰ অৰ্থ জ্যোতিষৰ পৰাই আহিছে নে, জ্যোতিৰ পৰাই আহিছে, তাত একো কথা নাই। এই পোহৰ আহিছে যদি পুনৰ্ব্বাৰ ইয়াতেই দিব। জ্যোতিষৰ চৰ্চ্চা যদি ইয়াতেই আগধৰি হৈছিল, জ্যোতিৰ্ব্বীৰ

ফলিত গণনাত তাকেই পাব। অসম বুৰঞ্জীত সোণালী আখৰেৰে কতখিলা পাত লিখা হল তাৰ অন্ত নাই; সুৰাসুৰৰ বিক্ৰম মহাভাৰতৰ দিনৰ পৰাই ইয়াত ভাত-মাছৰ লগৰ হৈ আহিছে। সভ্যতাই কত ৰকমৰ লীলা-খেলা কৰিলে তাৰ কথা মানুহে পাংৰিব পৰা নাই। অসম বুৰঞ্জীত এই সকলো বিলাক ঘটনা ঘটি আহিছে যদিও, অসম আকাশত শঙ্কৰ সূৰ্য্যৰ উদয় লেখত লবলগীয়া দিন। সেই পোহৰ আকৌ ডাৱৰে ঢকা সময় ছোৱাত অসমীয়া জাতিৰ মনো কি দৰে গোমোঠা লাগি আছিল, নিৰ্জ্জীৱ হৈ পৰিল, আত্মাৰত কত ঠাইত উজুটি খালে, বুৰঞ্জীয়ে তাকো সাক্ষী দিলে।

## এতিয়া আমাৰ কৰ্ত্তব্য কি?

আজি আমি আদৰ্শ-বিহীন। এই কাৰণেই এইটো সকলো ফালৰ পৰা বিপ্লৱৰ যুগ। এই বিপ্লৱত আমি গা ঢালি দিবই লাগিব। ৰাজনৈতিক বিপ্লৱৰ পৰা দেশে মন আৰু আনফালে ঘূৰাই আনিব নোৱাৰে। এই বিপ্লৱৰ কৰ্ণধাৰ মহাত্মা গান্ধীৰ নিৰ্দ্দেশ আমি নিঃসঙ্কোচে মানি চলিছো। কিন্তু, তেওঁ কি আদৰ্শত আমাক অনুপ্ৰাণিত কৰিছে সেই কথা আমি ঠিক ভাবি চোৱা নাই বা ভাবি চাবৰ সময় পোৱা নাই। বিজ্ঞান, দৰ্শন, সাহিত্য, কলা, হিংসা-অহিংসা, ধৰ্ম্ম-অধৰ্ম্ম, নীতি-অনীতি, সেৱা ক্ষমতা, শাৰীৰিক শ্ৰম, বৈজ্ঞানিক উদ্ভাৱনা, উদ্দেশ্য উপায়, স্পৃশ্য-অস্পৃশ্য আদি বিপ্লৱী ভাব বিলাক তেওঁ কোনটো চকুৰে চাইছিল, তাক আমি এতিয়াও ওপৰ চকুৰা ভাবেহে মন কৰিছো যেন অনুমান হয়। কিন্তু তেওঁ এবাৰ কথা সদায় দঢ়াই দঢ়াই কৈ আছিল যে জীৱনৰ সকলো কামতে সত্য অহিংসা প্ৰেম প্ৰকাশ পাবই লাগিব। নহলে, ভাৰতৰ কিয়, জগতৰো শান্তি

স্বাধীনতা আকাশ কুসুমৰ দৰে হৈ থাকিব। মহাত্মাৰ আত্মবাণীৰে তেওঁ কৰ পাৰিলে যে উপনিষদৰ ঋষি বুদ্ধ, ঈসা, মুচাই যি সত্য অহিংসা প্ৰেমৰ মাজেদি পোৱা শান্তিৰ বাণী শুনাই থৈ গল, তাকেই তেওঁ দোহাৰিছে। আজি জগতে যে ঠিক তাৰ বিপৰীত আচৰণ কৰি আমৰক্ত হব পৰা নাই সেয়ে এই বাণীৰ সাৰ্থকতা আৰু অমোঘতা ঘোষণা কৰিছে। "এটমিক্" বা আনবিক বোমাতকৈ যে আত্মবলহে শক্তিশালী তাৰ প্ৰমাণ দিছে। "বিশ্বাসে পাইবে বস্তু তৰ্কে বহু দূৰ" বুলি জগতে যদি বিশ্বাস বুকুত বান্ধি আৰু এখোজ আগ বাঢ়ে তেতিক্ষণে শান্তিৰ জল অংক্ষতে বৰিষণ হব, দাহে ধৰা পৃথিবীৰ বুকু জুৰ হব। মহাত্মাৰ অটল বিশ্বাস এই শান্তি ৰাজ্য প্ৰতিষ্ঠা কাৰ্য্যত ভাৰতেই শান্তি-জল এধোপাটি মাৰি সকলোকে শুদ্ধ কৰিব লাগিব। উপনিষদৰ ঋষি সকলৰ সেই 'মধু' বাণী জগতে সমস্বৰে উচ্চাৰণ কৰিব।

মহাত্মাৰ অনুপ্ৰাণিত দেশত আজি সত্য, অহিংসা, প্ৰেমেই যদি একমাত্ৰ সম্বল, অসমীয়া জাতিয়ে আৰু অসমৰ জাতীয় প্ৰাণে কৃষ্টি সভ্যতা ধৰ্ম্ম-কৰ্ম্ম সকলো ক্ষেত্ৰকে পৰিষ্কাৰ কৰি লবলৈ, মহাপুৰুষ শঙ্কৰ গুৰুৱে দিয়া আৰু নিজে আচৰণ কৰি দেখুৱা মহান আদৰ্শ, আজি পাঁচশ বছৰে অসম ভূমিৰ ধূলিকণা একোটাকো অনুপ্ৰাণিত কৰি তোলা বাবে, স্বপ্ন আৰু দিঠকতো আগত থৈ ত্ৰিৰঙ্গ পতাকা সুশোভিত কৰি চল্লিশ কোটি ভ্ৰাতৃৰ লগত খোজে খোজে তাল মিলাই আগবাঢ়িবলৈ শিকক, হিমালয় স্তম্ভিত হব, সাগৰ নিতাল মাৰিব, আকাশত দুন্দুভি বাজিব।

## মহাপুৰুষৰ গ্ৰন্থাৱলী প্ৰকাশ

মোৰ বোধেৰে চাৰিসত্ৰীয়া অধিকাৰ প্ৰমুখ্যে 'সকলো সন্ত, মহন্ত, দেশৰ শিক্ষিত সমাজৰ প্ৰতিনিধি, মহাপুৰুষৰ নামতু আৰু

ধৰ্ম্মৰ সংশ্ৰৱত যিবিলাক অনুষ্ঠান আছে তাৰো প্ৰতিনিধিৰে এখন কমিটি গঠন কৰি মহাপুৰুষৰ গ্ৰন্থাৱলী প্ৰকাশ কৰা এটি উপযুক্ত বোৰ্ড গঠন কৰিব লাগে। তেওঁলোকে ইংৰাজী হিন্দী আৰু অসমীয়াত মহাপুৰুষৰ জীৱনী আৰু গ্ৰন্থাৱলীৰ বিষয়ে আৱশ্যকীয় কথা বিলাক জুকিয়াই প্ৰকাশ কৰিবৰ দিহা কৰিব লাগে। আৰু এটি কমিটিয়ে পুঁজি সংগ্ৰহ কৰি অন্ততঃ একলাখ টকা তোলাৰ দিহা কৰিব লাগে। এই পুঁজিৰে মহাপুৰুষৰ গ্ৰন্থাৱলী প্ৰকাশ, অসমৰ দাতি-কাষৰীয়া পৰ্ব্বতীয়া ভাই আৰু বাগিচাৰ বনুৱা সকলৰ মাজত মহাপুৰুষীয়া ধৰ্ম্ম প্ৰচাৰৰ বাবে নিয়ম মতে শিক্ষাপ্ৰাপ্ত প্ৰচাৰক নিয়োগ (সেয়ে সত্ৰৰ আহিত হলেহে ফলৱতী হব), নামঘৰ আদি স্থাপনত কিছু সাহায্য দান হলে ভাল হব। মহাপুৰুষৰ গ্ৰন্থাৱলীৰ পৰা পোৱা ধনেৰে গুৱাহাটী বিশ্ববিদ্যালয়ত অসমৰ সকলো বৈষ্ণৱ সাহিত্যৰ গবেষণাৰ বাবে আসন বা চেয়াৰৰ সৃষ্টি কৰিলে তাৰ পৰা নতুন ধাৰা বৈ যাব পাৰে। মহাপুৰুষৰ বিশেষ বিশেষ গ্ৰন্থাৱলীৰ নিচেই সংক্ষিপ্ত সৰল পুথি লেখি জনসাধাৰণৰ বোধগম্য কৰা ভাল হব।

শিৱসাগৰত বহা অসম সাহিত্য সভাৰ সভাপতিৰ আসনৰ পৰা এষাৰ কথা কৈছিলো। আজিও তাকেই দোহাৰি কওঁ, "শঙ্কৰ প্ৰতিভা বাদ দি অসমীয়া ভাষা, সাহিত্য, শিল্প, কলা চলালে অসমীয়া জাতিটোৰেই জকা ওলাই পৰিব।"

## মহাপুৰুষৰ বিশেষণ নাই

এই খিনিতে আৰু এষাৰ কথা কব খোজো—সৰ্ব্বগুণাকৰ শঙ্কৰ গুৰুৰ সৰ্ব্বতোমুখী প্ৰতিভা নানা চকুৰে চোৱা হয়। এই দৃষ্টিত কোনোৱে তেওঁক বিশেষকৈ কবি, কোনোৱে সাহিত্যিক, দাৰ্শনিক,- সঙ্গীতজ্ঞ ইত্যাদি আখ্যাৰে বিভূষিত কৰিব খোজে। মোৰ

বোধেৰে এই কথা এনে সকল মহাপুৰুষত নাখাটে। তেওঁৰ প্ৰতিভা এজন কবিৰ সাহিত্যকৰ বা দাৰ্শনিকৰ নহয়। এই বিলাক ক্ষেত্ৰত তেওঁৰ প্ৰতিভা আধ্যাত্মিক অনুভূতিৰ মাজেদি প্ৰকাশ হৈছিল। সাহিত্যৰ চকুৰে চালে বাইবেল, কোৰাণ অতুলনীয় গ্ৰন্থ। কিন্তু সেই বাবে প্ৰভু যীশু বা হজৰত মহম্মদক সাহিত্যিক বুলি কোৱা সমিচীন নহয়, তেওঁলোকৰ বাণীত সাহিত্যই আশ্ৰয় লৈছে। সাহিত্য তেওঁলোকৰ সাধনালব্ধ বস্তু নহয়। মহাপুৰুষ শঙ্কৰ দেৱৰ জীৱন আধ্যাত্মিক প্ৰেৰণাৰে পৰিপূৰ্ণ আছিল। সেই আধ্যাত্মিক অনুভূতিত পোৱা নাম ধৰ্ম্ম প্ৰচাৰ কৰোতে সাহিত্যকলাই তেওঁৰ লিখনীত আশ্ৰয় লৈছিল। তেওঁৰ প্ৰেৰণাৰ লগে লগে নিজে ৰূপ লৈ প্ৰকাশ পালে। মহাপ্ৰভু চৈতন্যদেৱৰ চৰিত্ৰামৃত বিশ্বকবি ৰবীন্দ্ৰনাথৰো লিখনীয়ে বিচৰা বস্তু। কিন্তু বঙ্গ সাহিত্যৰ সম্ৰাট ৰবীন্দ্ৰনাথহে—মহাপ্ৰভু শ্ৰীচৈতন্য দেৱক সাহিত্যিকৰ চকুৰে চাব নোৱাৰিৰ। কাৰণ তেওঁ 'বোল নাম'হে জপিছিল, সাহিত্যৰ সাধন কৰা নাছিল; বঙ্গ সাহিত্যহে তেওঁৰ বাণীত সঞ্জীবিত হৈছিল। মহাপুৰুষ সকল যেতিয়া আধ্যাত্মিক শক্তি লৈ আহে তেতিয়া তেওঁলোক পূৰ্ণ আদৰ্শ পুৰুষ হৈয়েই আহে। আংশিক ভাবে তেওঁলোক সমাজৰ একো একো ক্ষেত্ৰত প্ৰকাশ নাপায়। তেওঁলোকৰ প্ৰকাশতহে সমাজৰ সকলো বিষয় প্ৰকাশিত হয়। এই মূল বিষয়টি পাহৰিলে নচলিব। অলৌকিক আধ্যাত্মিক শক্তিসম্পন্ন মহাপুৰুষ সকল কেৱল মহাপুৰুষেই, তেওঁলোকক এই বিৰাট ব্যক্তিত্বৰ মাজেদি চোৱা উচিত।

## শঙ্কৰী যুগ অন্ত হৈছেনে

অসমীয়া জাতিটোক যদি নিজ বৈশিষ্ট্যসম্পন্ন এটা জাতি বুলি ধ'ৰব লাগে, মহাপুৰুষৰ আদৰ্শ এৰি আন কোনো আদৰ্শই সেই

কাম সাধন কৰিব পাৰিবনে? যদি এই প্ৰশ্নৰ উত্তৰ নাহে, তেন্তে নিঃসঙ্কোচে কব লাগিব তেনে আদৰ্শ নাহে মানে মহাপুৰুষৰ আদৰ্শৰ বাহিৰে অসমীয়া জাতিৰ স্বকীয়া অস্তিত্ব নাই।

## অসমীয়া জাতিৰ অভ্যুত্থান নহৈ নোৱাৰে

বুৰঞ্জীয়ে যি জাতিৰ কাহিনী লিখি অধ্যায়ৰ পাছত অধ্যায় বঢ়াব লগা হৈছিল, সেই জাতিৰ অভ্যুত্থান নহৈ নোৱাৰে—লাগে আত্মবিশ্বাস, একাগ্ৰতা, আত্মসন্মান বোধ। নাভাবিব, মহাপুৰুষীয়া ধৰ্ম্মত ইয়াৰ এটাৰো ত্ৰুটী আছিল। আৰু ভিতৰ সোমাই দকৈ ভাবি চালেই পোৱা যাব, আজি মহাত্মাৰ আদৰ্শ, কৰ্ম্মসূচী, ধৰ্ম্মৰ সবল বিশ্বাস।

দেশৰ স্বাধীনতাৰ যুঁজত মণিৰাম দেৱানৰ দৰে কুশল কোৱঁৰে ফাঁচৰ ৰচি ডাল বটিয়া যেন তুচ্ছ জ্ঞান কৰি ডিঙিত ললে। জীয়াৰী কণকলতাই ৰাধা-ৰুক্মিণীৰ দৰে বন্দুকৰ গুলি বুকু পাতি ললে, তিলক ডেকাই জয়তিলক লৈহে বিদায় ললে। শত শত ডেকা গাভৰু বুঢ়া-বুঢ়ীয়ে জগন্নাথ তীৰ্থলৈ যোৱাৰ দৰে বন্দীশালত সোমাল, ভ্ৰুক্ষেপ নাই। দেশৰ তৰুণ শক্তি সজাগ হৈ উঠিছে, প্ৰাণত দেশাত্ম বোধ আহিছে, নিৰক্ষৰ গাৱঁৰ একোজনেও মহাত্মাৰ অমোঘবাণী হৃদয়ত লৈ নৈতিক সাহস বুকুত বান্ধি দেশৰ লগত আগ বাঢ়িব পৰা হৈছে। যুগাৱতাৰ মহাত্মাৰ আদৰ্শত অনুপ্ৰাণিত দেশে মহাপুৰুষ শঙ্কৰ গুৰুক অসমীয়াৰ প্ৰাণত পুনঃ প্ৰতিষ্ঠা কৰিবলৈ সহজ হৈ পৰিছে।

হে সৰ্ব্ব গুণাকৰ শ্ৰীমন্ত শঙ্কৰ! নতশিৰে কৰিব ভাষাত কওঁ—

"তোমাৰ জীৱনী দেৱ! যে প্ৰেম [illegible] সাধ্য আৰু।
গোটেই অসম দেশ [illegible] জীৱন্ত যাব॥"

CURZON HALL LIBRARY
1953
GAUHATI ASSAM.